Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, JUNE 15, 2025 ■ দেওবাৰ, ৩১ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৬২ Guwahati, Assam ।। মূল্যঃ এটকা

## ৰশ্মিতা হোজাই হত্যাকাণ্ড সন্দৰ্ভত পুষ্কৰ সিং ধামিলৈ পত্ৰ হিমন্ত-গৌৰৱৰ

ই-সংবাদ, ১৪ জুনঃ ডিমা হাচাও জিলাৰ ৰশ্মিতা হোজাই যোৱা ৬ জুনত ঋষিকেশৰ পৰা সন্দেহজনক পৰিস্থিতিত সন্ধানহীন হৈ থকাৰ পিছতে ২ নং পৃষ্ঠাত



ইৰাণ-ইজৰাইলৰ মাজত বাজিছে যুদ্ধৰ দামামা

ৰাজীৱ ভৱনত নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ সংবাদমেল

# গৃহমন্ত্ৰী হিচাপে হিমন্ত বিশ্ব শৰ্মা ব্যৰ্থ

ই-সংবাদ, ১৪ জুনঃ আজি প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে গুৱাহাটীৰ ৰাজীৱ ভৱনত এখন সংবাদমেল সম্বোধন কৰি ধুবুৰী কাণ্ডক লৈ চিন্তা ব্যক্ত কৰে। ২ পৃষ্ঠাত চাওক



## বেদব্ৰত বৰাক পুনৰ অধ্যক্ষৰ দায়িত্ব



ই-সংবাদ, ১৪ জুনঃ পুনৰবাৰ অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষৰ দায়িত্ব প্ৰদান ২ পৃষ্ঠা

## আলফা স্বাধীনৰ পৰেশ বৰুৱা সহ তিনিজনৰ বিৰুদ্ধে NIA-ৰ চাৰ্জশ্বীট

ই-সংবাদ, ১৪ জুনঃ ২০২৩ চনৰ স্বাধীনতা দিৱসত অসমত একাধিক আইইডি বিস্ফোৰণ ঘটোৱাৰ ষড়যন্ত্ৰৰ অভিযোগত ৩ নং পৃষ্ঠাত

## বিশ্বযুদ্ধৰ আশংকা! ইজৰাইলত ২০টা শিশুকে ধৰি প্ৰায় ৬০ লোকৰ মৃত্যু

# মধ্য প্ৰাচ্যত যুদ্ধ! ইৰাণৰ আক্ৰমণত ধৰাশায়ী ইজৰাইল

● মাত্ৰ ৬৫ মিনিটৰ ভিতৰতে শতাধিক বেলিষ্টিক মিছাইলেৰে ইজৰাইলত আক্ৰমণ



জেৰুজালেম, ১৪ জুনঃ ক্ৰমাৎ বিভীষিকাৰ ৰূপ ধাৰণ কৰিছে ইৰাণ-ইজৰাইলৰ সংঘাতে। শনিবাৰে ইৰাণ আৰু ইজৰাইলৰ মাজত সংঘটিত হোৱা ধাৰাবাহিক ক্ষেপণাস্ত্ৰ আৰু বিমান আক্ৰমণৰ পিছতে উত্তেজনা বৃদ্ধি পাইছে মধ্যপ্ৰাচ্যত। শুকুৰবাৰে পঞ্চম পৃষ্ঠাত

## মোদী-শ্বাহ যুটিৰ নেতৃত্বত আজি উত্তৰ-পূৰত শান্তি, উন্নয়নৰ নিজৰা বৈছে!

সোণোৱালৰ সংবাদমেল



ই-সংবাদ, ১৪ জুনঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত আজি বিকাশৰ ৫ পৃষ্ঠাত চাওক

## আহমেদাবাদ ট্ৰেজেডীঃ নিহতৰ সংখ্যা হ'লগৈ ২৭৪

আহমেদাবাদ, ১৪ জুনঃ আহমেদাবাদত সংঘটিত হোৱা ভয়াবহ বিমান দুৰ্ঘটনাত নিহত লোকৰ সংখ্যা ২৭০ লৈ বৃদ্ধি।

**আহত সকললৈ ২৫লাখ টকাৰ আৰ্থিক সাহায্য ঘোষণা কৰিলে 'টাটা'ই, ল'ব সকলো দায়িত্ব**



যোৱা বৃহস্পতিবাৰে এয়াৰ ইণ্ডিয়াৰ বয়িং ৭৮৭-৮ ড্ৰিমলাইনাৰে উৰণৰ কেইছেকেণ্ডমানৰ ৪ নং পৃষ্ঠাত



দীঘলীপুখুৰীপাৰ ৰক্ষাৰ দাবীৰে অভিনৰ প্ৰতিবাদ

# একশ্যন আৰম্ভ! ধুবুৰীত একে নিশাই গ্ৰেপ্তাৰ ৩৮ জন

ই-সংবাদ, ১৪জুনঃ ঈদৰ দিনা পুৱাই ধুবুৰী জিলাৰ বালুৰচৰস্থিত হনুমান মন্দিৰত সন্দেহজনক গো-মাংস সদৃশ সামগ্ৰী উদ্ধাৰৰ পিছতে ধুবুৰী জিলাত উত্তেজনা অব্যাহত আছে। কালি মুখ্যমন্ত্ৰীয়ে ধুবুৰী ভ্ৰমণ কৰি আৰক্ষীক কঠোৰ হোৱাৰ নিৰ্দেশ ৪ পৃষ্ঠাত

## বিমান দুৰ্ঘটনাঃ ডি এন এ মেচিঙৰ বাবে ৩৬ গৰাকী ফৰেনছিক বিশেষজ্ঞৰ অহৰহ প্ৰচেষ্টা

আহমেদাবাদ, ১৪ জুনঃ আহমেদাবাদত সংঘটিত ভয়াবহ বিমান দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত আজি ফৰেনছিক বিজ্ঞান পৰীক্ষাগাৰত ৫ পৃষ্ঠাত

## উৰণ সেঁতু নিৰ্মাণৰ নামত 'গছ' উদং হ'ল গুৱাহাটী

ই-সংবাদ, ১৪ জুনঃ আজি আকৌ এবাৰ শতিকা প্ৰাচীন গছ ৰক্ষাৰ বাবে আন্দোলন কৰিবলৈ পুৱাই ঘৰৰ পৰা ওলাই ৩ পৃষ্ঠাত চাওক



## এছ টিৰ স্বীকৃতি বিচাৰি সদৌ টাই আহোম ছাত্ৰ সন্থাৰ প্ৰতিবাদ

### চৰকাৰক চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰাৰ দাবী

ই-সংবাদ বিশেষ, ১৪ জুনঃ টাই আহোমক অনুসূচিত জনজাতি (এছ টি)ৰ মৰ্যাদা প্ৰদানৰ দাবীত অসম বিধানসভা ভৱনৰ সন্মুখত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে সদৌ টাই ৪ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰশ্মিতা হোজাই হত্যাকাণ্ডক লৈ...

১০ জুনত পৰিত্যক্ত অৱস্থাত মৃতদেহ উদ্ধাৰৰ পিছতে ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। নিযুক্তি পৰীক্ষা দিবলৈ যোৱাৰ সময়তে ৰশ্মিতা হোজাইৰ সন্দেহজনক অৱস্থাত মৃতদেহ উদ্ধাৰ হোৱাত তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিক পত্ৰ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীক পত্ৰ প্ৰদান কৰি বিষয়টোক গুৰুত্বসহকাৰে লৈ তদন্ত কৰিবলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে পত্ৰখন সামাজিক মাধ্যমত শ্বেয়াৰ কৰি কৈছে যে যি পৰিস্থিতিত ৰশ্মিতা হোজাইৰ মৃত্যু হ'ল, সেই বাতৰিয়ে আমাক বিচলিত কৰিছে। মই ব্যক্তিগতভাৱে উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামি ডাঙৰীয়াক অনুৰোধ জনাইছোঁ যাতে বিষয়টোৰ সঠিক অনুসন্ধান হয় আৰু ভুক্তভোগী পৰিয়ালটোৱে ন্যায় লাভ কৰে। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰীয়ে হিমন্ত বিশ্ব শৰ্মাৰ এক্সৰ টুইট ৰি-টুইট কৰি কয় যে মুখ্যমন্ত্ৰী ড০ শৰ্মা মই আপোনাৰ চিন্তাত সহমত পোষণ কৰিছো। মই নিৰপেক্ষ, স্বচ্ছ আৰু সময়মতে তদন্ত নিশ্চিত কৰিবলৈ সম্পূৰ্ণৰূপে প্ৰতিজ্ঞাবদ্ধ। মই ৰাজ্যৰ ডিজিপিক এই ঘটনাৰ বিস্তৃত তদন্ত কৰিবলৈ নিৰ্দেশ দিছো। আনহাতে, সাংসদ গৌৰৱ গগৈয়ে উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰীক ৰশ্মিতা হোজাইৰ সন্দেহজনক পৰিস্থিতিত হোৱা মৃত্যুৰ ঘটনাৰ শীঘ্ৰে নিৰপেক্ষ তদন্ত দাবী কৰিছে। অসমৰছত্ৰৰ অধ্যক্ষ এন চন্দ্ৰশেখৰনে কয় যে 'ভাৰত, আমেৰিকা আৰু ব্ৰিটেইনৰ পৰা যোৱা ২৪ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ এই পত্ৰক উত্তৰখণ্ডৰ মুখ্যমন্ত্ৰীয়ে কিমান গুৰুত্ব দি ঘটনাৰ তদন্ত কৰিব সেয়া সময়ত লক্ষ্যণীয় হ'ব। উল্লেখ্য যে, ৰশ্মিতা হোজাফ মৃতদেহ ১০ জুনত উত্তৰাখণ্ডৰ পউৰি গঢ়ৱাল জিলাৰ গংগা নদীত উদ্ধাৰ হৈছিল। ৰশ্মিতাৰ সৈতে বন্ধু হেমন্ত বাৰ্মা আৰু পংকজ আছিল। হেমন্ত আৰু ৰশ্মিতাই একেলগে অধ্যয়ন কৰিছিল। ইয়াৰ মাজতে ৰশ্মিতা হোজাই অসমৰ পৰা দিল্লীত পৰীক্ষা দিবলৈ আহিছিল। দিল্লীত তেওঁহে হেমন্ত বাৰ্মাক লগ পায় দুয়োগৰাকীয়ে ঋষিকেশলৈ যোৱাৰ পৰিকল্পনা কৰিছিল। তাৰ পিছতে ঋষিকেশত সন্দেহজনক পৰিস্থিতিত নিৰুদ্দেশ হৈ থাকি ৫ দিনৰ পিছত মৃতদেহ উদ্ধাৰ হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৃহমন্ত্ৰী হিচাপে হিমন্ত বিশ্ব...

মুখ্যমন্ত্ৰীয়ে ধুবুৰীত ভ্ৰমণৰ কৰি দেখা মাত্ৰকে গুলীওৱাৰ নিৰ্দেশক আদৰণি জনাই প্ৰদ্যুৎ বৰদলৈয়ে। বৰদলৈয়ে কয় যে দেখা মাত্ৰকে দুষ্কৃতিকাৰীক গুলী কৰাৰ নিৰ্দেশক আমি আদৰণি জনাইছো। যিটো অশুভ শক্তিৰ কথা মুখ্যমন্ত্ৰীয়ে কৈছে সেই অশুভ শক্তিক আমি মষিমূৰ কৰিব লাগিব। অসমৰ চাৰিও দিশে কিছুমান সাম্প্ৰদায়িক শক্তি গা কৰি উঠা বুলি দাবী কৰি বৰদলৈয়ে কয় যে সাম্প্ৰদায়িক দিশত উচটনি দিয়া যি শক্তি আছে সেই শক্তিক বিচাৰি উলিয়াই উচিত হাতেৰে দমন কৰাটো উচিত, এনে কাণ্ডক কংগ্ৰেছ দলে আদৰণি জনাব। গা কৰি উঠা সাম্প্ৰদায়িক শক্তি বাংলাদেশৰ পৰা আহি কৰিছে। যদি বাংলাদেশৰ পৰা যদি আহিছে তেন্তে আমাৰ বাবে লজ্জাৰ কথা। অসমৰ বিভিন্ন ঠাইত যদি বাংলাদেশৰ পৰা অহা শক্তিয়ে সাম্প্ৰদায়িক জিঘাংসা কৰিব পৰা কাম কৰিছে সেইটো অসম চৰকাৰৰ ডাঙৰ ব্যৰ্থতা। তেনে শক্তিক অবিলম্বে বিচাৰি উলিয়াই শিপাতে উঘালি নিৰ্মূল কৰাৰ দায়িত্ব অসম চৰকাৰৰ। ধুবুৰীৰ ঘটনা সঁচাকৈয়ে উদ্বেগজনক। কৰবাত পোষ্টাৰ মাৰিছে, কৰবাত কৰবাত গো-মাংস ওলাইছে। এইবিলাক কোন? সঁচাকৈয়ে বাংলাদেশৰ পৰা অহা শক্তি নেকি? সেয়া চৰকাৰৰ ব্যৰ্থতা। চৰকাৰৰ হাতত এজেন্সি আছে, পুলিচ বাহিনী আছে, বৰ্ডাৰ সুৰক্ষা বাহিনী আছে। এইটো পেহেলগামৰ কাণ্ডৰ দৰে ঘটনা ঘটিছে। যদি বাংলাদেশৰ পৰা আহি কৰিছে তেন্তে গৃহমন্ত্ৰী হিচাপে হিমন্ত বিশ্ব শৰ্মাৰ ডাঙৰ ব্যৰ্থতা। এই অশুভ শক্তিৰ নিৰ্মুল কৰাৰ দায়িত্ব অসম চৰকাৰ আৰু গৃহ মন্ত্ৰী হৈ থকা হিমন্ত বিশ্ব শৰ্মাৰ। অসমত হিমন্ত বিশ্ব শৰ্মাই দুটা ধৰ্মৰ তত্ব আৰম্ভ কৰাৰ উল্লেখ কৰি সাংসদগৰাকীয়ে কয় যে ভাৰত স্বাধীন হোৱাৰ সময়তে এফালে মুছলিম লীগ আৰু আনফালে আৰএছএছে টু-নেচন থিয়ৰী কৰিছিল। কংগ্ৰেছ দলে মহাত্মা গান্ধীৰ নেতৃত্ব টু-নেচন থিয়ৰীৰ বিৰুদ্ধে ধৰ্মীয়ভাৱে ভাগ কৰাৰ যি চেষ্টা তাক কংগ্ৰেছ দল আৰু মহাত্মা গান্ধীয়ে প্ৰত্যাখ্যান কৰিছিল। ভাৰত স্বাধীন হোৱাৰ পিছতে এই টু-নেচন থিয়ৰীক কবৰস্থ কৰিছিল। হিমন্ত বিশ্ব শৰ্মাই বিজেপিত যোৱাৰ পিছৰে পৰা টু-নেচন থিয়ৰীৰ বিপীৰতে টু-ৰিলিজন থিয়ৰী আনিছে। আমাৰ সমাজখনক সাম্প্ৰদায়িকভাৱে বিভাজন কৰাৰ যি ৰাজনীতি কৰিছে এই ৰাজনীতিয়ে এচামক উদগণি জনাইছে। যেতিয়া দুৰ্গা পূজা আহে, ঈদ আহে ক'ৰবাত ক'ৰবাত স্পৰ্শকাতৰ এলেকাত গোমাংস ওলায়। যাতে সাম্প্ৰদায়িক উত্তেজনা বৃদ্ধি পায় আৰু সাম্প্ৰদায়িক সংঘৰ্ষ লাগে তাৰ প্ৰয়াস কৰা হয়। য'ত বিজেপি চৰকাৰ থাকে তাত এনেকুৱা ঘটনা ঘটে। আৰক্ষীয়ে যেতিয়া তদন্ত কৰে তেতিয়াই বিজেপিৰ মানুহ তথা বিজেপিৰ ঘনিষ্ঠ সংগঠনৰ মানুহ ধৰা পৰে। কিছুমান এজেণ্ট নিয়োগ কৰা হয় যাতে সাম্প্ৰদায়িক উত্তেজনা বৃদ্ধি কৰি সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি কৰি সমাজখনক দুভাগত বিভক্ত কৰিব খুজিছে। হিমন্ত বিশ্ব শৰ্মাৰ নীতি হৈছে হিংসা, বিদ্বেষৰ নীতিৰ বাবেই এনে অশুভ শক্তিয়ে কাম কৰাৰ সন্দেহ হয়। চৰকাৰৰ হাতত সকলো সংস্থা আছে তাৰ দ্বাৰা অশুভ শক্তিক চিনাক্ত কৰি দেখা মাত্ৰকে গুলী কৰি শক্তিটোক ভূপতিত কৰিবলৈ কংগ্ৰেছ দলে দাবী জনাইছে। অসমৰ যিসমূহ ঐতিহাসিক স্থান, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠান আছে সেইসমূহ সংৰক্ষণ আৰু বেদখলমুক্ত কৰা হওক। তাৰ লগে লগে কংগ্ৰেছে প্ৰদান কৰা ষষ্ঠ অনুসূচিৰ জাতিক ৰক্ষণা-বেক্ষণ দিব লাগিব। ইপিনে ৰক্ষণা-বেক্ষণ দিয়াৰ কথা কোৱা হৈছে। আনহাতে, আদানীৰ দৰে লোকক জনজাতীয় লোকৰ মাটি গতাই দিয়াৰ প্ৰয়াস কৰা হৈছে। বিজেপিৰ হৃদয়ৰ ওচৰৰ, আদৰৰ আদানী গোটক অসমৰ খিলঞ্জীয়া মানুহৰ মাটি সগতাই দিব খোজা হৈছে। নগাঁৱৰ সাংসদগৰাকীয়ে কামৰূপৰ দৰাবীল, কাৰ্বিআংলংঙৰ সৌৰশক্তি প্ৰকল্পৰ বাবে আদানীক দিব খোজা জনজাতীয় লোকৰ ভূমি, ডিমা হাচাও, কোকৰাঝাৰৰ পৰ্বতঝোৰাৰ জনজাতীয় লোকৰ ভূমি আদানীক গতাই দিব খোজা চৰকাৰৰ সিদ্ধান্তক সমালোচনা কৰে সাংসাদগৰাকীয়ে। লগতে আজিৰ নাম কোম্পানীক নগাঁও জিলাৰ মিকিৰ বামুণী গাঁৱৰ ভূমি জোৰ কৰি উচ্ছেদ কৰি গতাই দিয়াৰ কথা উল্লেখ কৰি চৰকাৰক তীব্ৰ সমালোচনা কৰে বৰদলৈয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বেদব্ৰত বৰাক পুনৰ অধ্যক্ষ...

কৰা হৈছে ৰাজ্যৰ একালৰ জ্যেষ্ঠ সাংবাদিক বেদব্ৰত বৰাক। প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে দায়িত্ব লোৱাৰ পিছতে নকৈ গঠন কৰা মিডিয়া বিভাগৰ সমিতিত পুনৰবাৰ অধ্যক্ষ নিযুক্তি দিয়া হৈছে বেদব্ৰত বৰাক। আজি ইয়াকে লৈ প্ৰদেশ কংগ্ৰেছে এক প্ৰকাশ নিৰ্দেশনা প্ৰকাশ কৰিছে। নব নিযুক্ত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশত এই সমিতি গঠন কৰা হয়। লগতে কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰসকলৰ নাম প্ৰকাশ কৰা হৈছে। ৰূপক দাস, ইফতিকাৰ ইউনিছ, মনালিছা বৰুৱা হাজৰিকা, সস্বিদ শৰ্মাক সাধাৰণ সম্পাদক নিযুক্তি দিয়া হৈছে। হেপী গগৈ, মোস্তাক গোলাম উচমানিক সম্পাদক নিযুক্তি দিয়া হৈছে। মেহদী আলম বৰা, আব্দুল খালেক, এটোৱা মুণ্ডা, ৰাজু চাহু, মোহন বসুমতাৰী, কুশল কুমাৰ শৰ্মা, ঋতুপৰ্ণ কোঁৱৰ, জয়প্ৰকাশ দাস, ইমদাদ হুছেইন, সঞ্জয় বৰুৱা, তৰ্পণ ফুকন, মনোৰঞ্জন বৰগোহাই, ৰমন ঝা, বৰ্ণালী ফুকন, নীৰণ বৰুৱা আৰু ৰূপা কলিতা দাসক জেষ্ঠ মুখপাত্ৰ নিযুক্তি দিয়া হৈছে। বিদিশা নেওগ, ছৈজুদ্দিন আহমেদ, মহচিন খান, আমান ৱাদুদ, গণেশ বৰ্মণ, জ্যোতিময়ী বৈশ্য, ৰাকেশ চক্ৰৱৰ্তী, মতিউৰ ৰহমান, মিজানুৰ ৰহমান, সঞ্জীৱ ৰয়, বনদীপ দত্ত, পীতাম্বৰ যোশী, হৰ্ষ প্ৰকাশ বৰদলৈ, ৰিতম সিং, ৰফিকুল ইছলাম, জেহেৰুল ইছলাম, অনিতা দেৱী, উপেন ৰাজ নাথ, অৰূপজ্যোতি ভূঞা আৰু পলাক্ষী দাসক মুখপাত্ৰ নিযুক্তি দিয়া হৈছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আলফা স্বাধীনৰ পৰেশ বৰুৱা...

নিষিদ্ধ আলফা (স্বাধীন)-ৰ সেনাধ্যক্ষ পৰেশ বৰুৱাসহ তিনজনৰ বিৰুদ্ধে গুৱাহাটীস্থিত বিশেষ আদালতত চাৰ্জশ্বীট দাখিল কৰিছে এনআইএয়ে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ অধীনস্থ এই অনুসন্ধান সংস্থাই শুকুৰবাৰে আনুষ্ঠানিকভাৱে এই তথ্য সদৰী কৰে। চাৰ্জশ্বীটত নাম থকা আন দুজন হ'ল অভিজিৎ গগৈ আৰু জাহ্নু বৰুৱা ওৰফে অৰ্নৱ অসম ওৰফে হুন্টু। এই তিনিজনৰেই বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতা, বিস্ফোৰক পদাৰ্থ আইন আৰু ইউএপিএ আইনৰ অধীনত গুৰুতৰ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। এনআইএৰ তদন্ত অনুসৰি, গুৱাহাটীৰ দিছপুৰ লাষ্ট গেটকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত একাধিক আইইডি সংস্থাপন কৰি বিস্ফোৰণৰ ষড়যন্ত্ৰ ৰচিছিল নিষিদ্ধ সংগঠনটোৱে। তেওঁলোকৰ এই ষড়যন্ত্ৰৰ উদ্দেশ্য আছিল অসম জুৰি স্বাধীনতা দিৱসৰ দিনা একাধিক বিস্ফোৰণ ঘটাই জনতাৰ মাজত আতংক সৃষ্টি কৰা আৰু দেশৰ একতা, অখণ্ডতা, তথা সাৰ্বভৌমত্বক ক্ষুণ্ণ কৰা। প্ৰতিবেদন অনুসৰি, এই আইইডি বিস্ফোৰণত মানুহৰ মৃত্যু বা আঘাত, সম্পত্তিৰ ক্ষতি সাধন আৰু জনসাধাৰণৰ মাজত ভয়ৰ সৃষ্টি কৰাৰ ষড়যন্ত্ৰ আছিল। পৰেশ বৰুৱাৰ লগতে অভিযুক্ত দুজনৰ নাম বহুদিন ধৰি উগ্ৰপন্থী সক্ৰিয়তাৰ সৈতে জড়িত। আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱা পৰেশ অসম, কামৰুজ জামান খান, নূৰ-উজ-জামান, জামান ভাই, প্ৰদীপ আৰু পৱন বৰুৱা ছদ্মনামেৰেও পৰিচিত বুলি চাৰ্জশ্বীটত উল্লেখ কৰে তদন্তকাৰী সংস্থাটোৱে। উল্লেখযোগ্য যে, এই তদন্তটো এনআইএয়ে ২০২৪ চনৰ ছেপ্টেম্বৰত অসম আৰক্ষীৰ পৰা হস্তান্তৰ লোৱাৰ পাছত আৰম্ভ কৰিছিল। সংস্থাটোৱে গোপন অনুসন্ধানত নিশ্চিত কৰে যে, এই বিস্ফোৰণৰ পৰিকল্পনা সম্পূৰ্ণৰূপে আলফা (স্বা)-ৰ নেতৃত্বত চলি আছিল, যাৰ নেতৃত্বত আছিল পৰেশ বৰুৱা নিজেই। এনআইএৰ এই পদক্ষেপৰ পিছত অসমত উগ্ৰপন্থী সক্ৰিয়তাৰ ওপৰত ৰাষ্ট্ৰীয় স্তৰত পুনৰ এক শক্তিশালী সতৰ্ক সংকেত দিয়া হ'ল বুলি অভিমত প্ৰকাশ কৰিছে আৰক্ষী আৰু গোপন সংস্থাসমূহে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উৰণ সেঁতু নিৰ্মাণৰ নামত 'গছ' উদং হ'ল...

আহিল গুৱাহাটীবাসী। গুৱাহাটী মহানগৰীৰ আমবাৰী আৰু দীঘলীপুখুৰীপাৰৰ পথৰ দুয়ো কাষে থকা গছ-গছনিসমূহ ৰক্ষা কৰিবলৈ কেইবা শতাধিক লোকে মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ন কৰি গছ ৰক্ষাৰ বাবে আন্দোলন কৰে। হাতে হাতে প্লেকাৰ্ড লৈ বিশিষ্ট বুদ্ধিজীৱি, অভিনেতা, ছাত্ৰ নেতা, ছাত্ৰ-ছাত্ৰী, সমাজকৰ্মী, ৰাজহুৱা কৰ্মী, কবি, সাহিত্যিকে মানৱ শৃংখল কাৰ্যসূচীত অংশ লয়। প্ৰতিবাদকাৰীসকলে মানৱ শৃঙ্খল গঠন কৰি সুধাকণ্ঠ ভুপেন হাজৰিকাৰ আইকনিক গান "We are in the Same Boat Brothers" গীতটো গাই প্ৰতিবাদ আৰম্ভ কৰে। শান্তিপূৰ্ণ মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ন কৰে যদিও প্ৰতিবাদ আৰম্ভ হোৱাৰ পূৰ্বেই কেইবা শ আৰক্ষী মোতায়েন কৰে প্ৰশাসনে। আমবাৰী আৰু দীঘলীপুখুৰীপাৰ এলেকাৰ গছ-গছনি কাটি তহিলং কৰাৰ ফলত চৰাইবোৰৰ বাসস্থান শূন্য হোৱাৰ লগতে পৰিৱেশৰ ওপৰত ভয়ংকৰ প্ৰভাৱ পৰাৰ কথা উনুকাই গুৱাহাটীবাসীয়ে বাকী থকা গছসমূহ নাকাটিবলৈ চৰকাৰক দাবী জনাইছে। প্ৰতিবাদকাৰীসকলে কয় যে সেঁতু নিৰ্মাণৰ নামত গুৱাহাটীখনৰ গছসমূহ উদং কৰি পেলালে। ইতিমধ্যে গুৱাহাটী মহানগৰ প্ৰশাসনে ডিষ্ট্ৰিক লাইব্ৰেৰী, ৰবীন্দ্ৰ ভৱনৰ সন্মুখভাগৰ গছ-গছনি কাটি পেলাইছে। আজি পুনৰবাৰ প্ৰতিবাদ কৰিবলৈ ওলাই অহা প্ৰবীণ নাগৰিকসকলে কয় যে গছ কাটি সেঁতু নিৰ্মাণ কৰাটো ৰাজ্য চৰকাৰৰ অদায়িত্বপূৰ্ণ আৰু বিধ্বংসী সিদ্ধান্ত। প্ৰতিবাদকাৰীসকলে গছ কটাৰ সিদ্ধান্তৰ বিৰুদ্ধে উদ্বেগ প্ৰকাশ কৰি কয় যে বৰ্ধিত তাপপ্ৰবাহৰ মাজত বন ধ্বংস কৰা হৈছে। গুৱাহাটী বাসপযোগ্য পৰিৱেশ নষ্ট কৰা হৈছে। শতিকা প্ৰাচীন গছবোৰ কাৰ স্বাৰ্থত কাটিছে, উন্নয়নৰ নামত গছ কটা বন্ধ কৰা, গঠ কটা বন্ধ কৰক, পৰিৱেশ-মানুহৰ স্বাৰ্থত দীঘলীপুখুৰীপাৰ ৰক্ষা কৰক, যদি গছ নাথাকে উন্নয়ন কৰা-যদি মানুহ নাথাকে বিকাশ কাৰ, গছ হত্যা নকৰিব, বহনক্ষম উন্নয়নত গুৰুত্ব দিয়ক, গছ থাকিলেহে জীৱন থাকিব আদি শ্ল'গান লিখি প্লেকাৰ্ড প্ৰদৰ্শন কৰে। সমানে বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। একাংশ শিল্পীয়ে গীতে-মাতে প্ৰতিবাদত অংশ লয়। একাংশ প্ৰতিবাদকাৰীয়ে কয় যে এই বছৰত অসমত এতিয়ালৈকে তাপপ্ৰবাহ-সম্পৰ্কীয় ১০টা মৃত্যুৰ খবৰ প্ৰকাশ পাইছে। ভৱিষ্যতে অধিক ভয়ংকৰ জলবায়ু সংকটৰ আশংকা বাঢ়ি আহিছে। আমবাৰী আৰু দীঘলীপুখুৰীপাৰৰ গছকেইডাৰ ৰক্ষা কৰিবলৈ আগতেও একাধিকবাৰ প্ৰতিবাদ কৰা হৈছে। তথাপিও চৰকাৰে কোনো প্ৰতিবাদক মন দি পদক্ষেপ গ্ৰহণ কৰা নাই। আমি আমাৰ পৰিৱেশ আৰু আগন্তুক প্ৰজন্মৰ বাবে মাত মাতিছো। এইটো কেৱল গছৰ প্ৰশ্ন নহয়— মানুহ, পক্ষী আৰু জন্তু সকলোৰে বাচি থাকিবলৈ প্ৰয়োজনীয়।গুৱাহাটী দ্ৰুতগতিত কংক্ৰীটৰ নগৰীত পৰিণত হৈছে। এতিয়া শেষৰ কেইডাল গছ কাটিলে জীৱন অসহ্যকৰ হ'ব। এই প্ৰতিবাদত অসম জাতীয় পৰিষদৰ নেতা লুৰীণজ্যোতি গগৈয়ে প্ৰতিবাদী কাৰ্যসূচীত অংশ লৈ গছ কাটাৰ বাবে সৃষ্টি হোৱা পৰিৱেশিক লৈ গভীৰ চিন্তা প্ৰকাশ কৰে। গগৈয়ে কয় যে দীঘলীপুখুৰীৰ গছবোৰ কেৱল গছ নহয়— এইবোৰ বহু লোকৰ বাবে সাংস্কৃতিক আৰু মানসিকভাৱে অতি গুৰুত্বপূৰ্ণ। চৰকাৰে উন্নয়নৰ কথা কয়, কিন্তু কামবোৰ তাৰ সম্পূৰ্ণ বিপৰীত। গছ কটা, পাহাৰ খনন কৰা এই সকলো পদক্ষেপে জলবায়ু পৰিৱৰ্তন বৃদ্ধি কৰি কৃত্ৰিম বান সৃষ্টিৰ দিশে কৰিছে। লুৰীণজ্যোতিয়ে আৰু কয় যে গুৱাহাটী মহানগৰীৰ বায়ু গুণমানৰ সূচক দিনে দিনে বেয়া হৈ গৈ আছে। এই চহৰ এতিয়া ভাৰতৰ আটাইতকৈ প্ৰদূষিত চহৰসমূহৰ তালিকাত অন্তৰ্ভুক্ত হৈছে। সাংসদ অজিত কুমাৰ ভূঞাই ৰাজ্য চৰকাৰক ফেচিষ্ট আখ্যা দি কয় যে চৰকাৰে মানুহ আৰু আইন দুয়োটাৰ প্ৰতি উদাসীন। উচ্চতম ন্যায়ালয়ে কৈছে যে এডাল গছ কটা মানে এজন মানুহৰ প্ৰাণ লোৱাৰ সমান। তথাপিও এইখন চৰকাৰে সকলো নীতি-নিয়ম উপেক্ষা কৰি সমাজক ধ্বংসৰ দিশে ঠেলি দিছে। আপৰ নেত্ৰী অনুৰূপা ডেকা ৰাজাই অংশ লৈ চৰকাৰৰ নীৰৱতাৰ তীব্ৰ সমালোচনা কৰি কয় যে চৰকাৰে ভালদৰে জানে যে ইমানবাৰ প্ৰতিবাদ হৈছে তথাপিও তেওঁলোকে কোনো সঁহাৰি নিদিয়ে।

আমি মুখ্যমন্ত্ৰী হিমন্ত বিশ্বশৰ্মাক অনুৰোধ জনাইছো যে তেওঁ আহি ক্ষেত্ৰ পৰিদৰ্শন কৰক আৰু গছ কটাৰ সিদ্ধান্তৰ কাৰণ ৰাইজক জনাওক। ৰাজহুৱা স্থানবোৰ পুঁজিপতিসকলৰ লাভলাভৰ বাবে হস্তান্তৰ কৰা হৈছে। ৰিজাৰ্ভ বেংকৰ পৰা গুৱাহাটী ক্লাৱ হৈ নুনমাটিলৈ নিৰ্মাণ হৈ থকা গুৱাহাটীৰ সবাতোকৈ দীৰ্ঘ উৰণীয়া সেঁতুখন নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ঐতিহাসিক দীঘলীপুখুৰীপাৰৰ ডেৰশ-দুখ বছৰীয়া গছ কাটিবলৈ লোৱা সিদ্ধান্তৰ পাছৰে পৰা গুৱাহাটীবাসীয়ে নিৰন্তৰ প্ৰতিবাদ কৰি আহিছে। যোৱাবছৰৰ ২৯ অক্টোবৰত গুৱাহাটীৰ নাগৰিকে দীঘলীপুখুৰীপাৰত ঐক্যবদ্ধ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে সিদিনাৰ পৰাই ৰাইজে দিনে-নিশাই দীঘলীপুখুৰীপাৰত প্ৰতিবাদ কৰিছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সেঁতুৰ নক্সা সলনি কৰা হ'ব বুলি ঘোষণা কৰি এসপ্তাহৰ সময় বিচাৰিছিল। পাছত মুখ্যমন্ত্ৰীৰ নিৰ্দেশত মুখ্য সচিবৰ নেতৃত্বত লোক নিৰ্মাণ বিভাগে জৰুৰী বৈঠক অনুষ্ঠিত কৰি নক্সা সলনি কৰিবলৈ বিষয়াৰ গোটক দায়িত্ব দিছিল। তথাপিও গুৱাহাটীৰ নাগৰিক সমাজে আশ্বস্ত হ'ব পৰা নাছিল আৰু অহৰহ প্ৰতিবাদ কৰি গৈছিল। হিমন্ত বিশ্ব শৰ্মাই খোদ দীঘলীপুখুৰীপাৰ ভ্ৰমণ কৰিছিল। দীঘলীপুখুৰীপাৰ ভ্ৰমণ কৰি দীঘলীপুখুৰীপাৰলৈ সেঁতু অনা নহয় বুলি ঘোষণা কৰাৰ লগতে গুৱাহাটী ক্লাৱৰ লক্ষ্মীনাথ বেজবৰুৱা প্ৰতিমূৰ্তি স্থানান্তৰ কৰা নহয় বুলি কৈছিল। কিন্তু মুখ্যমন্ত্ৰীয়ে এটা প্ৰতিশ্ৰুতিও ৰক্ষা নকৰিলে। ঐতিহ্যমণ্ডিত দীঘলীপুখুৰী পাৰ গুৱাহাটীৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। এই প্ৰাণকেন্দ্ৰক অন্যতম অংগ হৈছে প্ৰকাণ্ড প্ৰকাণ্ড গছ কেইডাল। এই গছ কেইডাল নথকা মানেই দীঘলীপুখুৰী পাৰৰ অস্তিত্ব শেষ হ'ব। যাৰ বাবে কেইবা শ নাগৰিকে ২৯ অক্টোবৰত 'নাগৰিক প্ৰতিবাদ' সাব্যস্ত কৰাৰ লগতে আন কেইবাটাও দিনো প্ৰতিবাদ সাব্যস্ত কৰিছিল। ৰাজপপথলৈ ওলাই অহা পুৰুষ-মহিলা, যুৱক-যুৱতীয়ে গীত গাই, গছক সাৱটি, গছৰ তলত মানৱ শৃংখল কৰি গছ নাকাটিবলৈ চৰকাৰক পুনৰবাৰ দাবী জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# একশ্যন আৰম্ভ! ধুবুৰীত একে...

নিৰ্দেশ দিছিল। দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰৰ লগতে দেখা মাত্ৰকে গুলীওৱাৰ নিৰ্দেশ দিছিল। আজি আৰক্ষীয়ে একচন আৰম্ভ কৰিছে। কালি একেটা নিশাই ধুবুৰী জিলাৰ সংঘটিত সংঘাতত জড়িত ৩৮ জন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আজি এই কথা উল্লেখ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। আজি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে কয় যে আপোনালোকক অৱগত কৰিব বিচাৰোঁ যে ধুবুৰীৰ গো-মাংসকেন্দ্ৰিক কাণ্ডৰ বাবে যোৱানিশা ৩৮জনক আটক কৰা হৈছে। আমি ধুবুৰীৰ এই কুকাণ্ডটিক লৈ অতি উদ্বিগ্ন। কালি ধুবুৰীৰ আৰক্ষী অধীক্ষক বদলি কৰিছিল। ধুবুৰী জিলাৰ আৰক্ষী অধীক্ষক নবীন সিঙক বদলি কৰি লীনা দলেক ধুবুৰীৰ আৰক্ষী অধীক্ষক নিযুক্তি দিছিল। উল্লেখ্য যে, ৭ জুন তথা ঈদৰ দিনটোৰ পৰাই ধুবুৰী জিলাত তীব্ৰ উত্তেজনা অব্যাহত আছে। দুটা পক্ষৰ মাজত সংঘাত অব্যাহত আছে। ঈদৰ দিনা পুৱাই ধুবুৰী জিলাৰ বালুৰচৰস্থিত হনুমান মন্দিৰৰ কাষত সন্দেহজনক অৱস্থাত গো-মাংস সদৃশ সামগ্ৰী উদ্ধাৰ হৈছিল। তাৰ পিছতে দুই পক্ষই সংঘাতত লিপ্ত হৈছিল। পূৰ্বে আৰক্ষীয়ে ২২ জনক লোকক গ্ৰেপ্তাৰ কৰিছিল। কালি ধুবুৰী ভ্ৰমণ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ধুবুৰী জিলা প্ৰশাসনৰ সৈতে বৈঠকত মিলিত হৈ কেইবাটাও কঠোৰ নিৰ্দেশ দিছিল। দুষ্কৃতিকাৰীক দেখা মাত্ৰকে গুলীওৱাৰ নিৰ্দেশ দিছে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে মুখামুখি হৈ কয় যে মই শ্বুট এণ্ড ছাইটৰ অৰ্ডাৰ ইচ্ছু কৰিছো। ৰেপিট এক্সন ফোৰ্চ, চিআৰপিএফ মোতায়েন কৰা হৈছে। যিমান অপৰাধী আছে সকলোকে গ্ৰেপ্তাৰ কৰিবলৈ এছপিক কৈছো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এছ টিৰ স্বীকৃতি বিচাৰি সদৌ টাই...

আহোম ছাত্ৰ সন্থাই। শনিবাৰে পুৱা সংগঠনটোৰ সদস্যসকলে বিধানসভা ঘেৰাও কৰিবলৈ বাহিৰ কৰাৰ সময়তে তেওঁলোকক বাধা প্ৰদান কৰে আৰক্ষীয়ে। ইয়াৰ পিছতে তীব্ৰ উত্তেজনাই বিৰাজ কৰে। সংগঠনৰ পতাকা লৈ শ শ প্ৰতিবাদকাৰীয়ে "আহোমসকলক এছ টিৰ স্বীকৃতি দিয়ক" আদি শ্লোগানেৰে ৰাজপথ উত্তাল কৰি তোলে। অসংখ্য স্মাৰকপত্ৰ, অনশন, ৰাজহুৱা স্বাক্ষৰ অভিযানৰ পিছতো তেওঁলোকৰ দাবী পূৰণ নোহোৱাত এতিয়া তেওঁলোকে বিধানসভাৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে। ইফালে, প্ৰতিবাদৰ সময়ত অসম আৰক্ষীয়ে আটাছুৰ সভাপতি মিলন বুঢ়াগোহাঁই আৰু সাধাৰণ সম্পাদক ভাস্কৰ জ্যোতি বুঢ়াগোহাঁইকে ধৰি কেইবাজনো প্ৰতিবাদকাৰীক আটক কৰে। আৰক্ষীৰ এই কাৰ্যক তীব্ৰ গৰিহণা দি আটাছুৰ কাৰ্যবাহী সভাপতি শশাংক দিহিঙিয়াই সকীয়াই দি কয়, "আমাৰ নেতাসকলক তৎকালীনভাৱে আৰু নিঃচৰ্তভাৱে মুকলি কৰি দিব লাগিব। অন্যথা সমগ্ৰ উত্তৰ অসম জ্বলিব। আন্দোলন আৰু তীব্ৰতৰ হ'ব।"উল্লেখ্য যে, বিগত বহু বছৰৰ পৰাই আহোম সম্প্ৰদায়ক অনুসূচিত জাতিৰ মৰ্যাদা প্ৰদানৰ দাবী উত্থাপন হৈ আহিছে। আটাছুৰ মতে ঐতিহাসিক, সাংস্কৃতিক, আৰু নৃ-ভাষিক দৃষ্টিকোণৰ পৰা তেওঁলোক এই মৰ্যাদাৰ যোগ্য। ২০২৫ চনৰ আৰম্ভণিৰ পৰাই আটাছু আৰু আন আন সংগঠনসমূহে ৰাজ্যজুৰি একাধিক প্ৰতিবাদী সমদল আৰু ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। চলিত বৰ্ষৰ জানুৱাৰী মাহত জনতা ভৱনৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰি প্ৰতিবাদকাৰীয়ে একে দাবী উত্থাপন কৰিছিল যে অসমৰ ছটা জনগোষ্ঠীক এছ টি হিচাপে তালিকাভুক্ত কৰা উচিত। এই তালিকাত আহোম, মৰাণ, মটক, চুতীয়া, আদিবাসী (চাহ জনগোষ্ঠী) আৰু কোচ ৰাজবংশী জনগোষ্ঠীক অন্তৰ্ভুক্ত কৰা হৈছিল।এই ক্ষেত্ৰত কেন্দ্ৰীয় পৰ্যায়ত শেহতীয়া অগ্ৰগতি কিছু পৰিলক্ষিত হৈছিল। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱাল ওৰামে যোৱা ৪ জুনত কয় যে ভাৰতৰ মহাপঞ্জীয়কে বৰ্তমান এই প্ৰস্তাৱ পৰীক্ষা কৰি আছে আৰু জনগোষ্ঠীসমূহক এছটি হিচাপে তালিকাভুক্ত কৰিবলৈ পৰামৰ্শ দিয়াৰ প্ৰক্ৰিয়াত আছে। এই বিষয়টো ২০২৫ চনৰ বাজেট অধিবেশনৰ সময়তো সংসদত উত্থাপন কৰা হৈছিল, য'ত অসম চৰকাৰে এই ছয় জনগোষ্ঠীক এছটি তালিকাত অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছিল। তথাপিও এতিয়ালৈকে কোনো চূড়ান্ত সিদ্ধান্ত নোহোৱাত জনগোষ্ঠীয় সংগঠনসমূহ হতাশ আৰু ক্ষুব্ধ হৈ ৰাজপথলৈ ওলাই আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আহমেদাবাদ ট্ৰেজেদীঃ নিহতৰ...

ভিতৰতে উচ্চতা হেৰুৱাই মেডিকেল কলেজৰ হোষ্টেলত খুন্দা মাৰে। বিস্ফোৰণৰ শব্দত কঁপি উঠে সমগ্ৰ অঞ্চলটো। তাৰ পিছতে এক বৃহৎ অগ্নিপিণ্ডলৈ পৰিণত হৈ পৰে বিমানখন। দুৰ্ঘটনাৰ সময়ত বিমানখনত আছিল মুঠ ২৪২ জন যাত্ৰী আৰু ক্ৰু মেম্বাৰ আছিল। বিভীষিকাময় দুৰ্ঘটনাটোত প্ৰাণ ৰক্ষা পৰে মাত্ৰ এগৰাকী বৃটিছ নাগৰিকৰ। ইফালে, ঘটনাৰ তিনিদিন অতিক্ৰম কৰাৰ পিছতো মৃতদেহ গতাই দিয়াত পলম হোৱাক লৈ এতিয়াও ক্ষুব্ধ হৈ পৰিছে মৃতকৰ পৰিয়ালৰ লোক। বেছিভাগ মৃতদেহ ইমানেই জ্বলি গৈছে যে চিনাক্ত কৰাটো অসম্ভৱ হৈ পৰিছে। বিজে মেডিকেল কলেজৰ জুনিয়ৰ ডাক্তৰ এছ'চিয়েশ্যনৰ সভাপতি ধৱল গামেটিয়ে জনোৱা মতে, মুঠ ২৭০টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। মাত্ৰ এজন যাত্ৰীহে অলৌকিকভাৱে এই দুৰ্ঘটনাটোৰ পৰা ৰক্ষা পৰে। ঘটনাস্থলীত উপস্থিত হোৱা উদ্ধাৰকাৰীয়ে দাবী কৰা মতে বিমানখন চিকিৎসালয়ৰ হোষ্টেলত যিদৰে দুৰ্ঘটনাগ্ৰস্ত হয়, তাৰ ফলত এক বৃহৎ অঞ্চল বিধ্বস্ত হৈ পৰে। ইফালে চিকিৎসকে মৃতদেহ চিনাক্তকৰণত ব্যস্ত হৈ পৰিছে। যিহেতু বেছিভাগ মৃতদেহ জ্বলি গৈছে, সেয়েহে দাঁতৰ নমুনা আৰু ডি এন এ প্ৰফাইলিঙৰ জৰিয়তে মৃতদেহ চিনাক্তকৰণৰ কাম চলি আছে। মৃতকৰ পৰিয়ালৰ লোকে আহমেদাবাদ চিকিৎসালয়ত বহি দিন গণিছে - কেতিয়া লাভ কৰিব আপোনজনৰ মৃতদেহ। ৰফিক আব্দুল হাফিজ মেমন নামৰ এজন ব্যক্তিয়ে কয় যে তেওঁৰ চাৰিজন আত্মীয়ক হেৰুৱাইছে। "আমি আমাৰ সন্তান হেৰুৱাইছো। আমি একো বুজি পোৱা নাই। মৃতদেহ কেতিয়া দিয়া হ'ব কওকচোন।" আন এজন পিতৃয়ে কয় যে তেওঁৰ পুত্ৰ হৰ্ষদ পেটেলৰ মৃতদেহ এতিয়াও পোৱা নাই। কৰ্তৃপক্ষই জনোৱা মতে, ডি এন এ পৰীক্ষাৰ বাবে ৭২ ঘণ্টা সময় লাগিব। তেওঁ কয়, "মই জানো যে তেওঁলোকে সহায় কৰিবলৈ চেষ্টা কৰিছে, কিন্তু আমাৰ ধৈৰ্য্য শেষ হৈ গৈছে।' ৰয়টাৰৰ এক প্ৰতিবেদন অনুসৰি এই দুৰ্ঘটনাৰ পিছতে কেন্দ্ৰীয় চৰকাৰ আৰু এয়াৰ ইণ্ডিয়াই বিভিন্ন দিশৰ তদন্ত অব্যাহত ৰাখিছে। বিশেষকৈ বিমানখনৰ ইঞ্জিনৰ থ্ৰাষ্ট, ফ্লেপ আৰু লেণ্ডিং গিয়াৰ—যিবোৰ উৰণৰ সময়ত খোলা আছিল বুলি কোৱা হৈছে—চিন্তাৰ বিষয়। বহুতৰ মতে এই এয়াৰ ইণ্ডিয়া দুৰ্ঘটনাই কোম্পানীটোৰ ভাবমূৰ্তি যথেষ্ট ক্ষতিগ্ৰস্ত কৰিছে। ২০২২ চনত টাটা গ্ৰুপে এয়াৰ ইণ্ডিয়াক অধিগ্ৰহণ কৰাৰ পিছৰে পৰা তেওঁলোকে নিজৰ বহৰ আৰু সেৱাৰ উন্নতিৰ বাবে চেষ্টা চলাই আহিছে। কিন্তু এই ভয়ংকৰ দুৰ্ঘটনাটোৱে সমগ্ৰ প্ৰচেষ্টাক প্ৰশ্নবোধক কৰি তুলিছে। এই দুৰ্ঘটনাত মৃত্যু হোৱা বেছিভাগৰে মৃতদেহ দন্ত চিকিৎসাৰ ৰেকৰ্ড বা পূৰ্বৰ চিকিৎসা ৰেকৰ্ড ব্যৱহাৰ কৰি চিনাক্তকৰণৰ কাম চলি আছে। চিকিৎসক জয়শংকৰ পিল্লাই কয় ,৩৫টা মৃতদেহৰ দন্ত চিকিৎসাৰ ৰেকৰ্ড সংগ্ৰহ কৰা হৈছে আৰু সেইবোৰৰ মিলন প্ৰক্ৰিয়া চলি আছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিমান দুৰ্ঘটনাঃ ডি এন এ মেচিঙৰ বাবে...

গুজৰাটৰ গৃহ বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়াৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয় ৰাজ্যখনৰ গৃহ পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী হৰ্ষ চাংঘৰী। বৈঠকত ফৰেনছিক লেবৰ বৰ্তমানৰ পদ্ধতি আৰু অগ্ৰগতিৰ বিষয়ে বিতংভাৱে পৰ্যালোচনা কৰা হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা এক কথপোকথনত মন্ত্ৰীগৰাকীয়ে কয় যে, "ফৰেনছিক বিজ্ঞান পৰীক্ষাগাৰত এখন বৈঠক অনুষ্ঠিত কৰা হয়, য'ত আলোচনাৰ মূল কেন্দ্ৰবিন্দু আছিল গুজৰাটৰ ফৰেনছিক বিশেষজ্ঞৰ দলটো। এই দলটোৱে যোৱা দুদিন ধৰি দিনে-নিশাই কাম কৰি আহিছে যাতে বিমান দুৰ্ঘটনাত মৃত লোকসকলৰ পৰিয়ালৰ বাবে ডি এন এ মেচিং অতি সোনকালে কৰা হয়।" তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰৰ এই প্ৰচেষ্টাৰ উপৰিও কেন্দ্ৰীয় চৰকাৰে বহু সংখ্যক ফৰেনছিক বিশেষজ্ঞকো সহায়ৰ বাবে প্ৰেৰণ কৰিছে। বৰ্তমান গুজৰাট চৰকাৰৰ অধীনত ৩৬ গৰাকী ফৰেনছিক বিশেষজ্ঞই এই প্ৰক্ৰিয়াৰ কাম কৰি আছে। প্ৰতিটো ৩-৪ ঘণ্টাৰ চক্ৰৰ শেষত অসামৰিক চিকিৎসালয়লৈ ডি এন এ পৰীক্ষাৰ প্ৰতিবেদন প্ৰেৰণ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে আজিৰ বৈঠকৰ মূল উদ্দেশ্য আছিল সমগ্ৰ প্ৰক্ৰিয়াটো কেনেকৈ অধিক ক্ষীপ্ৰ আৰু দক্ষতাৰে আগুৱাই নিব পাৰি সেইটো নিৰ্ধাৰণ কৰা। তেওঁ ফৰেনছিক দলটোৰ নিষ্ঠা, গতি, আৰু সঠিকতাক প্ৰশংসা কৰি কয় যে ভৱিষ্যতেও এই দক্ষতা বজাই ৰাখিব লাগিব। এই সংকটৰ সময়ত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ উভয়ৰে সমন্বিত প্ৰচেষ্টাই জনসাধাৰণক কিছু সকাহ দিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদী-শ্বাহ যুটিৰ নেতৃত্বত আজি...

পথত দ্ৰুতগতিত আগবাঢ়িছে অসম তথা উত্তৰ-পূৰ্বাঞ্চল। এনডিএ চৰকাৰৰ একাদশ বৰ্ষপূৰ্তি উপলক্ষে আয়োজন কৰা এক সম্মিলনত সংবাদ মাধ্যমক সম্বোধি এই দাবী কৰিলে কেন্দ্ৰীয় জাহাজ, বন্দৰ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এসময়ত উত্তৰ-পূৰ্বাঞ্চলত কংগ্ৰেছৰ 'অপশাসন' চলিছিল বুলি মন্তব্য কৰি সোণোৱালে কয় যে আজিৰ উত্তৰ-পূব অতীতৰ অন্ধকাৰ অধ্যায়ৰ পৰা বহু যোজন দূৰৈত। মোদী-শ্বাহ যুটিৰ নেতৃত্বত আজি অঞ্চলটোৱে শান্তি, স্থিতিশীলতা আৰু উন্নয়নৰ দিশত দ্ৰুতগতিত আগবাঢ়িছে। সোণোৱালে কয় যে এই অঞ্চলটো এসময়ত আন্দোলন, উগ্ৰবাদ আৰু অপৰাধৰ দ্বাৰা জুৰুলা আছিল। কিন্তু বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত বহু বিদ্ৰোহী সংগঠনৰ সৈতে শান্তি চুক্তি স্বাক্ষৰিত হৈছে। বহু উগ্ৰপন্থীয়ে অস্ত্ৰ-শস্ত্ৰ ত্যাগ কৰি মূলসুঁতিৰ সমাজলৈ ঘূৰি আহিছে। তেওঁৰ ভাষাত "মোদী আৰু শ্বাহৰ নেতৃত্বত আজি উত্তৰ-পূব নিৰাপদ, সুস্থিৰ আৰু উন্নয়নমুখী। আগতে যিটো কল্পনাও কৰাটো অসম্ভৱ আছিল।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উত্তৰ-পূব ভ্ৰমণৰ কথা উল্লেখ কৰি তেওঁ কয়, "মোদী একমাত্ৰ প্ৰধানমন্ত্ৰী যিয়ে উত্তৰ-পূব ভ্ৰমণ কৰিছে ৭০ বাৰ। আৰু কেন্দ্ৰীয় মন্ত্ৰীসকলে একেলগে ৮০০ বাৰতকৈও অধিক ভ্ৰমণ কৰিছে। ইয়াৰ পৰাই বুজা যায় যে বৰ্তমানৰ চৰকাৰখন এই অঞ্চলৰ প্ৰতি কিমান দায়বদ্ধ।" শান্তিৰ লগতে উন্নয়নৰ অভিলেখকো আলোকপাত কৰে সোণোৱালে। তেওঁ কয়, "উত্তৰ-পূবে এতিয়া পথ, ৰে'ল, বিমান- সকলো ক্ষেত্ৰতে নতুন যুগত প্ৰৱেশ কৰিছে।" 'সাগৰমালা' প্ৰকল্পৰ জৰিয়তে বন্দৰ উন্নয়ন, নূন্যতম সমৰ্থন মূল্য বৃদ্ধি, আৰু কৃষকক মৰ্যাদা প্ৰদান- এই সকলোবোৰ এক বৃহত্তৰ কাঠামোৰ অংশ বুলিও দাবী কৰে কেন্দ্ৰীয় মন্ত্ৰীজনে। ইফালে, সংবাদ মাধ্যমৰ সন্মুখত জনকল্যাণৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰে সোণোৱালে। তেওঁ কয়, "প্ৰধানমন্ত্ৰী গৰিব কল্যাণ যোজনাৰ জৰিয়তে ৮১ কোটি লোকক বিনামূলীয়া খাদ্য, আৱাস যোজনাৰ অধীনত ৪ কোটিৰো অধিক পকী ঘৰ প্ৰদান- এইবোৰ এই চৰকাৰৰ ঐতিহাসিক পদক্ষেপ।" লগতে তেওঁ মুদ্ৰা যোজনা, বেটি বাচাও বেটি পঢ়াও আদি আঁচনিৰ জৰিয়তে মহিলা আৰু যুৱক-যুৱতীসকলক সৱলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সোণোৱালে কয়, "কেৱল উন্নয়ন নহয়, এই অঞ্চলটো এতিয়া নতুন অধ্যায়ৰ দিশে আগবাঢ়িছে - শান্তি আৰু সমৃদ্ধিৰ দিশে। এই গতি কোনেও ৰোধ কৰিব নোৱাৰে। প্ৰতিজন ব্যক্তিৰ বাবে কেন্দ্ৰৰ প্ৰতিশ্ৰুতি অব্যাহত থাকিব।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মধ্য প্ৰাচ্যত যুদ্ধ! ইৰাণৰ আক্ৰমণত...

ইজৰাইলে নিজৰ প্ৰধান শত্ৰু ইৰাণৰ বিৰুদ্ধে ব্যাপক বিমান আক্ৰমণ চলাই কেইবাগৰাকী কমাণ্ডো আৰু বিজ্ঞানীক হত্যা কৰাৰ লগতে পাৰমাণৱিক স্থানত বোমা বিস্ফোৰণ কৰাৰ পিছত এই সংঘাতে নতুন মাত্ৰা লাভ কৰে। ইজৰাইলে দাবী কৰিছে যে ইৰাণক পাৰমাণৱিক অস্ত্ৰ নিৰ্মাণ কৰাত বাধা দিবলৈ এই আক্ৰমণ সংঘটিত কৰা হৈছিল। ইফালে, এই আক্ৰমণৰ পিছতে ইজৰাইলক প্ৰত্যাক্ৰমণ কৰে ইৰাণেও। তেহৰাণত ইৰাণৰ চৰকাৰী টেলিভিছনৰ বাতৰি অনুসৰি এটা আৱাসিক কমপ্লেক্সত আক্ৰমণৰ ফলত ২০টা শিশুকে ধৰি প্ৰায় ৬০ জন লোকৰ মৃত্যু হয়। একে সময়তে সমগ্ৰ দেশতে আৰু অধিক আক্ৰমণৰ খবৰ পোৱা গৈছে। ইজৰাইলে ১৫০ টাতকৈও অধিক লক্ষ্যত আঘাত কৰা বুলি কয়। ইজৰাইলত যেতিয়া বিমান আক্ৰমণৰ ছাইৰেন বাজিল, তেতিয়া আকাশত ক্ষেপণাস্ত্ৰৰ ঢৌ দেখা পোৱাৰ লগে লগে বাসিন্দাসকলে আশ্ৰয় শিবিৰলৈ ঢাপলি মেলে। নিশাৰ এই আক্ৰমণত কমেও তিনিজন লোক নিহত হয়। ইজৰাইলৰ এগৰাকী বিষয়াই কয় যে ইৰাণে চাৰিটা পৰ্যায়ত প্ৰায় ২০০টা বেলিষ্টিক মিছাইল নিক্ষেপ কৰিছিল। ইজৰাইলৰ এই আক্ৰমণৰ প্ৰশংসা কৰি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সকীয়াই দিয়ে যে ইৰানে যদি নিজৰ পাৰমাণৱিক কাৰ্যসূচী হ্ৰাস কৰিবলৈ ক্ষিপ্ৰতাৰে সন্মতি নিদিয়ে তেন্তে আৰু বেয়া হ'ব পাৰে। ইজৰাইলে কয় যে তেওঁলোকৰ অভিযান কেইবা সপ্তাহ ধৰি চলিব পাৰে আৰু ইৰাণৰ জনসাধাৰণক তেওঁলোকৰ ইছলামিক ধৰ্মীয় শাসকৰ সন্মুখত থিয় দিবলৈ আহ্বান জনাইছে। ফলত আঞ্চলিক সংঘাত বিয়পি পৰাৰ আশংকা বাঢ়িছে। ইজৰাইলৰ প্ৰধান মিত্ৰ আমেৰিকাই ইৰাণৰ ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰাত সহায় কৰা বুলি প্ৰকাশ কৰিছে দুই আমেৰিকান বিষয়াই। ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাটজে কয় যে যদি (উচ্চতম নেতা আয়াতুল্লাহ আলী) খামেনেই ইজৰাইলৰ ভূখণ্ডত ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰি থাকে তেন্তে তেহৰাণ জ্বলি যাব। শুকুৰবাৰে ইজৰাইলৰ আক্ৰমণৰ প্ৰতিশোধ লোৱাৰ প্ৰতিশ্ৰুতি দিয়ে ইৰাণে, যিয়ে ইৰাণৰ পাৰমাণৱিক আৰু সামৰিক নেতৃত্বক পংগু কৰি পেলোৱাৰ লগতে পাৰমাণৱিক উদ্যোগ আৰু সামৰিক ঘাটিসমূহৰ ক্ষতিসাধন কৰে। তেহৰানে ইজৰাইলৰ মিত্ৰ দেশসমূহক সকীয়াই দিছে যে যদি তেওঁলোকে ইৰাণৰ ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰাত সহায় কৰে তেন্তে তেওঁলোকৰ আঞ্চলিক সামৰিক ঘাটিসমূহো আক্ৰমণ কৰা হ'ব। কিন্তু গাজা আৰু যোৱা বছৰ লেবাননত ২০ মাহৰ সংঘাতে হামাছ আৰু হিজবুল্লাহৰ দৰে তেহৰাণৰ শক্তিশালী আঞ্চলিক প্ৰক্সিক দুৰ্বল কৰি তুলিছে, যাৰ ফলত প্ৰতিশোধৰ বিকল্প সীমিত হৈ পৰিছে। দীৰ্ঘদিন ধৰি ইৰাণক অবিশ্বাস কৰি অহা কিন্তু যিকোনো বৃহৎ সংঘাতত ধৰা পৰাৰ আশংকা কৰা উপসাগৰীয় আৰব দেশসমূহে শান্তিৰ আহ্বান জনাইছে। উপসাগৰীয় অঞ্চলৰ পৰা গুৰুত্বপূৰ্ণ তেল ৰপ্তানিত বাধাৰ সৃষ্টি হোৱাৰ আশংকাত শুকুৰবাৰে তেলৰ মূল্য প্ৰায় ৭% বৃদ্ধি পায়। ইৰাণৰ জেনেৰেল তথা সংসদ সদস্য ইছমাইল কোছাৰীয়ে কয় যে দেশখনে হৰমুজ জলদ্বীপ বন্ধ কৰাৰ কথা গুৰুত্বসহকাৰে বিবেচনা কৰি আছে। ইজৰাইলৰ বিষয়াসকলে কয় যে ইৰাণৰ নাটানজ আৰু ইছফাহানৰ পাৰমাণৱিক কেন্দ্ৰত ইজৰাইলে যথেষ্ট ক্ষতিসাধন কৰিছে যদিও এতিয়াও ফৰ্ড'ৰ দৰে ইউৰেনিয়াম সমৃদ্ধিশালী অন্যান্য প্ৰতিষ্ঠানত অভিযান চলোৱা নাই। বিষয়াসকলে দাবী কৰে যে ইজৰাইলে "তেওঁলোকৰ সামৰিক নেতৃত্বৰ সৰ্বোচ্চ সেনাপ্ৰধানসকলক নিৰ্মূল কৰিছে" আৰু ৯ জন পাৰমাণৱিক বিজ্ঞানীক হত্যা কৰিছে, যিসকল আছিল "পাৰমাণৱিক কাৰ্যসূচীৰ মূল জ্ঞান আৰু চালিকা শক্তিৰ উৎস"। তেহৰানে অৱশ্যে জোৰ দি কয় যে ইয়াৰ পাৰমাণৱিক কাৰ্যসূচী সম্পূৰ্ণৰূপে অসামৰিক আৰু পাৰমাণৱিক অস্ত্ৰ অপ্ৰসাৰণ চুক্তি (এনপিটি)ৰ অধীনত নিজৰ বাধ্যবাধকতাৰ সৈতে মিল আছে। কিন্তু ইয়াৰ কাৰ্যসূচীৰ কিছু অংশ আন্তঃৰাষ্ট্ৰীয় পৰিদৰ্শকৰ পৰা বাৰে বাৰে লুকুৱাই ৰাখিছে আৰু আন্তঃৰাষ্ট্ৰীয় পাৰমাণৱিক শক্তি সংস্থাই বৃহস্পতিবাৰে কয় যে ইৰাণে এন পি টি উলংঘা কৰিছে।

# ৰঙিয়াত প্ৰদেশ কংগ্ৰেছৰ নৱ-নিযুক্ত সভাপতি গৌৰৱ গগৈক বিপুল আদৰণি

**ই-সংবাদ, ৰঙিয়া, ১৪ জুনঃ** অসম প্ৰদেশ কংগ্ৰেছৰ নৱ-নিযুক্ত সভাপতি গৌৰৱ গগৈ আজি ৰঙিয়াত উপস্থিত হোৱাত দলীয় কৰ্মীসকলে উষ্ম আদৰণি জনায়। তামুলপুৰৰপৰা ভাৰত-ভুটান আন্তঃৰাষ্ট্ৰীয় পথেৰে আহি বিয়লি ৰঙিয়াৰ তিনিআলিত উপস্থিত হোৱাৰ সময়তে যুৱ কংগ্ৰেছৰ সদস্যসকলে বাইক ৰেলীৰে গৌৰৱ গগৈক আদৰণি জনায়। ইয়াৰ পিছতে ৰঙিয়া নগৰত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা নিবেদন কৰে গৌৰৱ গগৈয়ে। দলীয় নেতা-কৰ্মীসকলে ব্যাপক উৎসাহেৰে ৰঙিয়াৰ ৰাজীৱ ভৱনলৈ আদৰি নিয়াৰ পিছতেই পিছতে কৰ্মীসভা সম্বোধন কৰে গৌৰৱ গগৈয়ে। ৰঙিয়া গ্ৰাম্য ব্লক কংগ্ৰেছৰ সভাপতি জেহেৰুল ইছলামে আঁতধৰা সভাৰ আৰম্ভণিতে বিমান দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ আত্মাৰ সদগতিৰ বাবে মৌন প্ৰাৰ্থনা কৰা হয়। ইফালে, দলীয় কৰ্মী সকলক সম্বোধন কৰি অসমত যুঁজ এখন হ'ব বুলি পুনৰ দোহাৰে গৌৰৱ গগৈয়ে। ভাষণ প্ৰসংগত কংগ্ৰেছ দলৰ তৃণমূল পৰ্যায়ৰপৰা শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে দলীয় কৰ্মীসকলক উদ্দেশ্যি গৌৰৱ গগৈয়ে কয় যে সভাত দলীয় সভাপতিগৰাকীৰ পৰিৱৰ্তে বুথ পৰ্যায়ৰ সভাপতিসকলকহে আদৰণি জনোৱা উচিত। ইফালে, সভাখনত ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে অংশগ্ৰহণ কৰি গৌৰৱ গগৈৰ লগতে উপস্থিত কৰ্মীসকলক সম্ভাষণ জনায়। গৌৰৱ গগৈৰ প্ৰশংসা কৰি আহমেদে কয় যে প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ গৌৰৱ গগৈৰ নেতৃত্বত দলটোৱে নতুন ৰূপ ল'বলৈ আগবাঢ়িছে। আগন্তুক দিনত গৌৰৱ গগৈৰ নেতৃত্বত ৰঙিয়াৰ লগতে অসমৰ প্ৰতিটো বিধানসভা সমষ্টিত কংগ্ৰেছে বিজয়ধ্বজা উৰুৱাবলৈ সক্ষম হ'ব বুলিও বিধায়কজনে



আশাপ্ৰকাশ কৰে। সভাখনত বিগত পঞ্চায়ত নিৰ্বাচনত জয়ী হোৱা কংগ্ৰেছৰ প্ৰাৰ্থীসকলক গৌৰৱ গগৈয়ে গামোচা পিন্ধাই ওলগ জনায়। সভাখনত কামৰূপ জিলা কংগ্ৰেছৰ সভাপতি কংকন দাসকে ধৰি দলটোৰ বহুকেইগৰাকী নেতা তথা বিপুলসংখ্যক কৰ্মী উপস্থিত থাকে।

# ফুলকুমাৰী বাপুজী ক্লাবৰ প্ৰচেষ্টাত এবছৰত ৭০ টি শিশুশ্ৰমিক উদ্ধাৰ

**ই-সংবাদ, তামাৰহাট, ১৪ জুন :** শিশু অধিকাৰৰ বাবে ভাৰতৰ সৰ্ববৃহৎ নাগৰিক সমাজৰ নেটৱৰ্ক জাষ্ট ৰাইটছ ফৰ চিলড্ৰেনৰ সৈতে অংশীদাৰিত্বত থাকি ফুলকুমাৰী বাপুজী ক্লাবে জিলাখনত শিশু শ্ৰমিকবিৰোধী অভিযানৰ নেতৃত্ব লৈ এবছৰৰ ভিতৰত সৰ্বমুঠ ৭০ টিকৈ শিশুশ্ৰমিক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। সংস্থাটোৱে এক প্ৰেছ বিবৃত্তিৰ জৰিয়তে জনোৱা মতে, জিলা প্ৰশাসনৰ সহযোগত বিগত এটা বছৰত ২০ টাতকৈয়ো অধিক উদ্ধাৰ অভিযান চলাই শিশুসকলক শোষণমূলক শ্ৰম প্ৰথাৰপৰা উদ্ধাৰ কৰে। শিশুশ্ৰমিকৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে সমগ্ৰ জিলাখনতে একাধিক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়, য'ত মানুহে এই প্ৰথা সমাজৰ পৰা নিৰ্মূল কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি আহিছে। এই উপলক্ষে সংস্থাটোৱে সমগ্ৰ দেশতে পৰ্যাপ্ত সম্পদ আৱণ্টন আৰু জিলা পৰ্যায়ৰ শিশুশ্ৰমিক টাস্ক ফৰ্চ স্থাপনৰ দ্বাৰা সমৰ্থিত ৰাষ্ট্ৰীয় এণ্ড চাইল্ড লেবাৰ মিছন আৰম্ভ কৰাৰ জৰুৰী প্ৰয়োজনীয়তা কথাও উল্লেখ কৰে। উল্লেখ্য যে জাষ্ট ৰাইটছ ফৰ চিলড্ৰেনৰ সৈতে অংশীদাৰিত্ব থকা ২৫০ টাতকৈও অধিক অংশীদাৰী সংস্থাই ভাৰতৰ ৪১৮ খন জিলাত কাম কৰি কৰি আছে। জে আৰ চিয়ে শিশু শ্ৰমিক, শিশু বিবাহ, শিশু যৌন নিৰ্যাতন আৰু শিশু সৰবৰাহৰ বিৰুদ্ধে সক্ৰিতাৰে কাম কৰি আছে। এই অভিযানত আইনী হস্তক্ষেপত একোছ টু জাষ্টিছ ফৰ চিলড্ৰেন কাৰ্যসূচীৰ জৰিয়তে জে আৰ চিয়ে ৮৫,০০০ৰো অধিক শিশুক উদ্ধাৰ কৰাত সহায় কৰিছে আৰু যোৱা দুবছৰত ৫৪,০০০ ৰো অধিক গোচৰত আইনী ব্যৱস্থা গ্ৰহণ কৰিছে। ফুলকুমাৰী বাপুজী ক্লাবৰ সঞ্চালক আজিজুল হকৰ মতে, ৰাজ্য চৰকাৰ আৰু জিলা প্ৰশাসনৰ সজাগতা আৰু সংবেদনশীলতাৰ বাবেই শিশুশ্ৰমিকৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ভাৰতৰ প্ৰদৰ্শন আন বহু দেশতকৈ তুলনামূলকভাৱে উন্নত হৈছে। তেওঁ কয় যে সংগঠনটোৱে এইপৰ্যন্ত জিলাখনৰ শিশুশ্ৰমিকক উদ্ধাৰ কৰাৰ লগতে তেওঁলোকৰ পুনৰ্বাসনৰ দিশতো কাম কৰি আছে। ভুক্তভোগীসকলৰ পুনৰ্বাসন আৰু অপৰাধীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থাৰ জৰিয়তেহে শিশু শ্ৰমিকক সঁচা অৰ্থত নিৰ্মূল কৰিব পৰা যায়, আৰু ভাৰত এই দিশত অবিৰতভাৱে আগবাঢ়ি আছে বুলিও উল্লেখ কৰে। এখন উন্নত ভাৰতৰ দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ বাবে শিশুশ্ৰম মুক্ত যোগান শৃংখল, দক্ষতা বিকাশ আৰু শিক্ষিত, দায়িত্বশীল নাগৰিকৰ লালন-পালন আদিৰ প্ৰয়োজন অধিক। ইয়াৰ বাবে শিশু শ্ৰমিকৰ বিৰুদ্ধে কঠোৰ ন-টোলাৰেন্স নীতি গ্ৰহণ কৰা, আইনী বলৱৎকৰণ আৰু বিচাৰৰ যন্ত্ৰপাতি শক্তিশালী কৰা, এক নিবেদিত পুনৰ্বাসন পুঁজি স্থাপন কৰা আৰু পুনৰ উদ্ধাৰ কৰা শিশুসকলক আগন্তুক অৱস্থাত সহায় কৰিবলৈ এক ব্যাপক পুনৰ্বাসন নীতি গঢ়ি তোলাটো অতি প্ৰয়োজনীয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# অভয়াপুৰীত ভাৰত বিকাশ পৰিষদৰ উদ্যোগত এনিমিয়া পৰীক্ষা শিবিৰ সম্পন্ন

**ই-সংবাদ, অভয়াপুৰী, ১৪ জুনঃ** ভাৰত বিকাশ পৰিষদৰ অভয়াপুৰী শাখাৰ উদ্যোগত জিলা যুটীয়া স্বাস্থ্য সঞ্চালকালয়ৰ সহযোগত আজি অভয়াপুৰীত এনিমিয়া ৰোগ পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। স্থানীয় যোগেন্দ্ৰ নাৰায়ণ সোঁৰৰণী ছোৱালী উচ্চ বিদ্যালয় প্ৰাংগণত অনষ্ঠিত শিবিৰৰ দ্বাৰ মুকলি কৰে জিলা স্বাস্থ্য নিৰীক্ষক বিষয়া ডাঃ বাদল সৰকাৰে। তাৰপাছতে ভাৰত মাতা আৰু স্বামী বিবেকানন্দৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ তথা পুষ্পাঞ্জলি প্ৰদান কৰে ক্ৰমে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী জোনা দাস, পৰিষদৰ সভাপতি শ্যাম সুন্দৰ পাল, উপ-সভানেত্ৰী মীনাকুমাৰী মণ্ডল আদিয়ে। তাৰপাছত অনুষ্ঠিত সভাত ডাঃ বাদল সৰকাৰে এনিমিয়া সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। পৰিষদৰ জ্যেষ্ঠ সদস্য তথা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অনুকুল চন্দ্ৰ নাথ, পৰিষদৰ কোষাধ্যক্ষ অশোক কুমাৰ শৰ্মা, সদস্য ক্ৰমে মানবেন্দ্ৰ দাস, জিতেন্দ্ৰ নাথ মেধি, দীনেশ সৰকাৰ, গীতেন চন্দ্ৰ নাথ, জিতু ৰায়, সঞ্চয় প্ৰামাণিক, সন্তোষ কুমাৰ সৰকাৰ, গোপাল পাল, উপেন্দ্ৰ মহন্ত, অবিনাশ, নাৰায়ণ মণ্ডল, দিবাকৰ দেৱশৰ্মা, চিত্তৰঞ্জন ৰায় মণ্ডল আদি উপস্থিত থকা সভাখনৰ আঁতধৰে পৰিষদৰ অভয়াপুৰী শাখাৰ সম্পাদক উৎপল চন্দ্ৰ নাথে। শিবিৰত প্ৰকল্প বিষয়া ডাঃ জে পি ৰায়ৰ নেতৃত্বত ক্ষেত্ৰ পৰিচালক মিণ্টুজিৎ পাঠকৰ সহযোগত অহা চিকিৎসক, চিকিৎসা কৰ্মীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ তেজ পৰীক্ষা কৰি ঔষধ প্ৰদান কৰে।

# ডুমডুমাৰ কৰ্দৈগুৰিত বান-খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন সৰ্বানন্দ সোণোৱাল আৰু পীযুষ হাজৰিকাৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৪ জুন :** তিনিচুকীয়া জিলাৰ ডুমডুমাৰ কৰ্দৈগুৰিত প্ৰতিবছৰেই খহনীয়াত বাৰুকৈয়ে বিধ্বস্ত হৈ আহিছে গঞ্জা ৰাইজ। বিগত বৰ্ষবোৰত হাজাৰ হাজাৰ বিঘা মাটি খহনীয়াৰ কবলত পৰি অসংখ্যজনৰ ভেঁটি উচন হয়। খহনীয়াৰ কবলত পৰি গৃহহীন হৈ পৰা বৃহত্তৰ কৰ্দৈগুৰি অঞ্চলৰ শ শ পৰিয়ালে এতিয়াও আশ্ৰয় শিবিৰত বসবাস কৰিবলগীয়া হোৱাৰ লগতে এক দুৰ্বিসহ জীৱন কটাব লগা হৈছে। বহু বছৰৰ পৰা এনে ভয়াৱহ পৰিস্থিতিৰ মোকামিলা কৰি আহিছে কৰ্দৈগুৰিৰ ৰাইজে। এই বান-গৰাখহনীয়াৰ সমস্যাৰ স্থায়ী সমাধান বিচাৰি চৰকাৰক বাৰম্বাৰ কাকুতি-মিনতি কৰি আহিছে যদিও আজিপৰ্য্যন্ত কোনো সুফল লাভ কৰা নাই। আজি অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমান কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকা, অসম চৰকাৰৰ যুৱ কল্যাণ বিভাগৰ সদস্য সচিব লক্ষ্য কোঁৱৰ, বিজেপিৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি কুশকান্ত বড়া আৰু ভালেসংখ্যক বিভাগীয় কৰ্মচাৰীয়ে কৰ্দৈগুৰিৰ দুটা স্থানত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। গৰাখহনীয়াৰ ৰোধ কৰিবলৈ সম্পূৰ্ণ যাৱতীয় ব্যৱস্থা লোৱাৰ আশ্বাস প্ৰদান কৰে



কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই। মন্ত্ৰী দুগৰাকীয়ে বান-গৰাখহনীয়াত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক অতিশীঘ্ৰে ক্ষতিপূৰণ প্ৰদান কৰা হ'ব বুলিও সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে। মন্ত্ৰী দুগৰাকীয়ে অঞ্চলটোত উপস্থিত হৈ ব্ৰহ্মপুত্ৰত নাৱৰ সহায়ত অঞ্চলটোৰ তামুলী গাঁও, ভটিয়ামখাল, গৰিয়াটিং, কেৰাণী গাঁও, শিমলুগুৰি, টিপুক সত্ৰ আদি এলেকা পৰিদৰ্শন কৰাৰ লগতে অঞ্চলটোত কালৰূপ ধাৰণ কৰা খহনীয়া সমস্যাৰ বুজ লয়। উল্লেখ্য যে ইতিমধ্যে জলসম্পদ বিভাগৰ অধীনত অঞ্চলটোৰ গৰিয়াটিং আৰু কেৰাণী গাঁৱত খহনীয়া প্ৰতিৰোধী প্ৰকল্প গ্ৰহণ কৰা হৈছে। মন্ত্ৰীদুগৰাকীৰ আজি এই পৰিদৰ্শনকালত উক্ত দুই এলেকাত খহনীয়াত আক্ৰান্ত প্ৰায় ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ স্থানত যুদ্ধকালীন তৎপৰতাৰে প্ৰতিৰোধ ব্যৱস্থা হাতত লৈ পাৰ্কুপাইন, জিঅ' মেগা টিউব আদিৰ সহায়ত কাম আৰম্ভ কৰিবলৈ সংশ্লিষ্ট তথা বিভাগীয় অভিযন্তাক নিৰ্দেশনা প্ৰদান কৰে অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই। মন্ত্ৰী হাজৰিকাই লগতে এই অঞ্চলত থকা ব্ৰহ্মপুত্ৰৰ চাৰিটা 'চেনেল' জিঅ' মেগা টিউবৰ সহায়ত বন্ধ কৰি দিবলৈও বিভাগীয় অভিযন্তাক নিৰ্দেশ দিয়ে। মন্ত্ৰীদুগৰাকীৰ সৈতে আজি ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক ত্ৰিদীপজ্যোতি মৰাণো উপস্থিত থাকে।

# বৰপেটাৰ শিল্পী আৰু অংগনৱাড়ী কৰ্মীক প্ৰমাণ-পত্ৰ আৰু মোবাইল ফোন বিতৰণ চন্দ্ৰমোহন পাটোৱাৰীৰ

**ই-সংবাদ, বৰপেটাৰোড, ১৪ জুনঃ** আজি বৰপেটা জিলা পুথিভঁৰালত অনুষ্ঠিত এক সাংস্কৃতিক অনুষ্ঠানত বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে শিল্পী পেঞ্চন আৰু বাৰ্ষিক শিল্পী সন্মান প্ৰাপকসকলক আনুষ্ঠানিকভাৱে প্ৰমাণ-পত্ৰ প্ৰদান কৰে। এইবাৰ বৰপেটা জিলাৰ ১৫ গৰাকী শিল্পীক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰে ৬ গৰাকী শিল্পীক শিল্পী পেঞ্চন (মাহে ৮,০০০ টকা) প্ৰদান কৰা হয় আৰু ৯ গৰাকী শিল্পীয়ে লাভ কৰে বাৰ্ষিক শিল্পীৰ সন্মান (এককালীন অনুদান ৫০,০০০ টকা)। এই স্বীকৃতিসমূহৰ দ্বাৰা অসমৰ শিল্প-সংস্কৃতিৰ প্ৰতি এই ব্যক্তিসকলে আজীৱন আগবঢ়োৱা অৱদানৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হৈছে। অনুষ্ঠানত ভাষণ দি মন্ত্ৰী পাটোৱাৰীয়ে অৰ্থপূৰ্ণ কাৰ্য্যৰে কলাত্মক নিষ্ঠাক সন্মান জনোৱাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে আজি বৰপেটা জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এক কাৰ্যসূচীত জিলাখনৰ অন্তৰ্গত অংগনৱাড়ী কৰ্মীসকলক মোবাইল ফোন বিতৰণ কৰা হয়। সমাজ কল্যাণ



বিভাগৰ অধীনত সেৱা প্ৰদান শক্তিশালী আৰু যোগাযোগ বৃদ্ধিৰ বাবে ৯ টা আইচিডিএছ প্ৰকল্পৰ মুঠ ২২১২ টা স্মাৰ্টফোন অংগনৱাড়ী কৰ্মীসকলৰ হাতত অৰ্পণ কৰা হয়। উক্ত অনুষ্ঠানত বৰপেটাৰ জিলাৰ আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত (সমাজ কল্যাণ), জিলা সমাজ কল্যাণ বিষয়া, আৰু বিশিষ্ট সমাজকৰ্মী মহেন দাস উপস্থিত থাকে। অসম চৰকাৰে এনে পদক্ষেপৰ জৰিয়তে ৰাজ্যৰ সাংস্কৃতিক আৰু সামাজিক পৰিৱেশৰ প্ৰতি সেৱা আগবঢ়োৱাসকলক স্বীকৃতি প্ৰদানৰ ব্যৱস্থা অব্যাহত ৰাখিছে।

# যোৰহাটত যক্ষ্মা, চিকেল চেল এনিমিয়াৰ সজাগতা সভা

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৪ জুন:** উত্তৰ-পশ্চিম যোৰহাটৰ ব্ৰহ্মপুত্ৰৰ কাষৰীয়া চাৰিঘৰীয়াত যক্ষ্মা, চিকেল চেল এনিমিয়াৰ সজাগতা সভাৰ লগতে শ'লমৰা খণ্ড প্ৰাথমিক চিকিৎসালয়ত ৰক্তদান কৰা হয়। ভাৰত চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ পৃষ্ঠপোষকতাত অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত, যোৰহাট জিলা স্বাস্থ্য সেৱা বিভাগৰ সহযোগত অনুষ্ঠিত যক্ষ্মা, চিকেল চেল এনিমিয়াৰ সজাগতাত ডাক্তৰ ৰঞ্জুমণি পাঠক, ড° হৰি চন্দ্ৰ মৰাঙে বক্তব্য প্ৰদান কৰি উপস্থিত থকা লোকসকলৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ঔষধ বিনামূলীয়াকৈ প্ৰদান কৰে। স্বাধীনতা যুঁজাৰু বিৰচা মুণ্ডাৰ ১৫০ সংখ্যক জন্মজয়ন্তী উপলক্ষে আৰু জনজাতীয় গৌৰৱ বৰ্ষৰ অংশ স্বৰূপে অনুষ্ঠিত শিবিৰত গাওঁ প্ৰধান মনোজ পেগু উপস্থিত থাকে। ইফালে, শ'লমৰা খণ্ড প্ৰাথমিক চিকিৎসালয়ত বহুসংখ্যক লোকে ৰক্তদান দিৱসৰ লগত সংগতি ৰাখি ৰক্তদান কৰে।

# খাৰুপেটীয়াৰ নিজ নগাজানৰপৰা কাহিবাৰীলৈ যোৱা পথৰ দুৰৱস্থা



**ই-সংবাদ, খাৰুপেটীয়া, ১৪ জুন :** দৰঙৰ বাহাবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত নিজ নগাজান গাঁৱৰপৰা বাঢ়েপোৰা হৈ কাহিবাৰীলৈ যোৱা পথৰ দুৰৱস্থাই উদঙাইছে উন্নয়নৰ ফোঁপোলা ছবি। সদাব্যস্ত পথটো কেইবা ঠাইতো খহি পৰিছে। কৃষিপ্ৰধান অঞ্চলটোৰ কৃষকসকলৰ এই পথটোৱে একমাত্ৰ যাতায়াতৰ ভৰষা। খাৰুপেটীয়াৰ বালুগাঁও বজাৰলৈ কৃষকসকলে উৎপাদন কৰা শাক-পাচলি বিক্ৰী কৰিবলৈ অহা-যোৱা কৰাত তীব্ৰ অসুবিধাৰ সন্মুখীন হৈ আহিছে। পথটোৰ বাবে চাৰিচকীয়া বাহন অহা-যোৱা কৰাত বাধাৰ সন্মুখীন হৈছে। পথটোৰ দুৰৱস্থাৰ বাবে গাঁওখনত সোমাব নোৱাৰে এম্বুলেন্স। স্থানীয় ৰাইজৰ অভিযোগ মতে পথ নিৰ্মাণত ঠিকাদাৰৰ গাফিলতিৰ বাবে যমৰ যাতনা ভুগিবলগীয়া হৈছে পথচাৰী। কোনো অঘটন সংঘটিত হোৱাৰ পূৰ্বেই পথটো মেৰামতিৰ বাবে বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে ৰাইজে।

# ম'বাইল ফোন ব্যৱহাৰৰ উপকাৰিতা আৰু অপকাৰিতাৰ সন্দৰ্ভত 'ৰাৰিয়ৰ্চ'ৰ সজাগতা সভা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৪ জুন :** মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ চমুকৈ 'ৰাৰিয়ৰ্চ'ৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত ৰূপাই আঞ্চলিক সমিতিয়ে আজি ৰূপাই চাইডিঙৰ শান্তিপুৰ প্ৰাথমিক বিদ্যালয়ত ম'বাইল ফোন ব্যৱহাৰৰ উপকাৰিতা আৰু অপকাৰিতাৰ ওপৰত এখনি সজাগতা সভা অনুষ্ঠিত কৰে। মাধুৰিমা বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাখনত সমল ব্যক্তি হিচাপে শিক্ষক সঞ্জীৱ কোঁৱৰে বক্তব্য আগবঢ়ায়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সাৱলীলভাৱে শিক্ষাৰ্থীয়ে কেনেদৰে ম'বাইলৰ সৎ ব্যৱহাৰ কৰি উপকৃত হ'ব পাৰে বুজায় দিয়ে। আনহাতে ম'বাইলৰ অপব্যৱহাৰে ছাত্ৰ-ছাত্ৰীক কিদৰে ধ্বংসৰ মুখলৈ ঠেলি দিয়ে আৰু লগতে দৃষ্টিশক্তি, স্মৃতিশক্তি আদিৰ ওপৰতো যে কুপ্ৰভাৱ পেলায় সেয়াও ভালদৰে বুজায় দিয়ে। সভাত জিলাৰ জনসংযোগ লগতে প্ৰচাৰ আৰু প্ৰসাৰ সম্পাদিকা ক্ৰমে উদ্দীপনা বৰা আৰু স্বপ্না মেধিয়েও কণ কণ শিশুসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। সভাত কিছুসংখ্যক অভিভাৱকো উপস্থিত থাকে। বিদ্যালয়খনৰ 'ক' মানৰপৰা 'পঞ্চম' মানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা সজাগতা সভাখনক লৈ অভিভাৱক আৰু শিক্ষক-শিক্ষয়ত্ৰীসকল উৎসাহী হৈ পৰে। ভৱিষ্যতেও এনে অনুষ্ঠানৰ প্ৰয়োজনীয়তা আছে বুলি সকলোৱে মত পোষণ কৰাৰ লগতে আৰু 'ৰাৰিয়ৰ্চ'ৰ ৰূপাই আঞ্চলিকৰ এনে পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰে।

# গোলকগঞ্জত পাঁচ অপৰাধীক আটক

**ই-সংবাদ, গোলকগঞ্জ, ১৪ জুনঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিভিন্ন এলেকাৰপৰা যোৱানিশা আৰক্ষীয়ে অভিযান চলাই পাঁচজন পুৰণি জামিনবিহীন ধাৰাত অভিযুক্ত অপৰাধীক আটক কৰে। আটকাধীন ধুবুৰী আদালতৰ আৰক্ষীৰ গোচৰ 2143/22 নম্বৰৰ অভিযুক্ত গোলকগঞ্জ এক নং ৱাৰ্ডৰ প্ৰেম কুমাৰ চৰকাৰ, 1426/18 নম্বৰৰ বিচনদৈৰ আব্দুল ছালাম সেখ, 1253/22 গোচৰৰ কমলাঝাৰ গাঁৱৰ আনিচুৰ ৰহমান, 735/21 নম্বৰ গোচৰৰ কৈমাৰীৰ মতিয়ৰ ৰহমান আৰু ধুবুৰী আদালতৰ 514/24 নম্বৰৰ আৰক্ষী প্ৰতিবেদন গোচৰৰ অভিযুক্ত বানিয়ামাৰীৰ নজৰুল হক। কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ধুবুৰী ভ্ৰমণ কৰাৰ পিছতে সকলোধৰণৰ জামিনবিহীন অপৰাধীক গ্ৰেপ্তাৰ কৰাৰ নিৰ্দেশ প্ৰদান কৰিছিল। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পিছতেই গোলকগঞ্জ আৰক্ষী কালিনিশা তৎপৰতাৰে অপৰাধীকেইজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

# এঘাৰ মাহৰ অন্তত উদ্ধাৰ ৰবিউল হুছেইনৰ মৃতদেহ

## দ্বিতীয় পত্নী, সন্তান আৰু ডাম্পাৰ চালকে মিলি আৰক্ষী জোৱানজনক হত্যা কৰাৰ অভিযোগ

**ই-সংবাদ, গেলেকী, ১৪ জুনঃ** শিৱসাগৰ জিলাৰ নাজিৰাৰ ৰহদৈ আলি নিমাইগড় হাবিগাঁৱত জঘন্য ঘটনা সংঘটিত হৈছে। পত্নী, দুই পুত্ৰ আৰু এজন ডাম্পাৰ চালকে মিলি ১১ মাহৰ পূৰ্বে হত্যা কৰি আৰক্ষী বেটেলিয়ানৰ হাবিলদাৰ ৰবিৰুল হুছেইনক ঘৰৰ পিছফালে পুতি থোৱাৰ অভিযোগ উত্থাপন হৈছে। ২০২৪ চনৰ ২৭ জুলাইত এই ঘটনা সংঘটিত হৈছিল বুলি জানিব পৰা গৈছে। প্ৰথম অৱস্থাত আৰক্ষী আৰু সংবাদ মাধ্যমক নিৰুদ্দেশ হোৱা খবৰ দি বিপথে পৰিচালিত কৰিছিল অভিযুক্ত হত্যাকাৰীয়ে। ইয়াৰ মাজতে আৰক্ষীৰ তদন্ত অব্যাহত আছিল আৰু জালত পৰিছিল পত্নী আৰু দুই পুত্ৰ। ঘটনাৰ সম্পৰ্কে প্ৰায় তিনিমাহৰ পূৰ্বে দ্বিতীয় পত্নী বেবী বেগমৰ পৰা জানিব পাৰিছিল আৰক্ষীয়ে। সেই সময়তেই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল পত্নী বেবী বেগম আৰু দুই পুত্ৰ ক্ৰমে ৰিদুল হুছেইন আৰু মাফুয হুছেইনক। কিন্তু পলাতক হৈ আছিল ঘটনাৰ লগত জড়িত আন এজন অভিযুক্ত ডাম্পাৰ চালক মুকিব আলী। অৱশেষত চেন্নাইত মথুৰাপুৰ আৰক্ষীৰ জালত পৰে অভিযুক্ত মুকিব আলী। মুকিব আলী আৰক্ষীৰ জালত পৰাৰ পিছতে মুকিবৰ স্বীকাৰোক্তিৰ ভিত্তিতেই অৱশেষত আৰক্ষীয়ে মুকিব আলীৰ ঘৰৰ চৌহদৰ পৰা পুতি থোৱা অৱস্থাত প্ৰায় ১১ মাহৰ পিছত উদ্ধাৰ কৰিলে ৰবিৰুল হুছেইনৰ মৃতদেহ। মৃত ৰবিৰুল হুছেইন মানকাচাৰৰ ২৬ এ পি (আই আৰ) বি এনৰ হাবিলদাৰ আছিল বুলি জানিব পৰা গৈছে। ইতিমধ্যে আটাইকেইগৰাকী হত্যাকাৰীক আটক কৰিছে আৰক্ষীয়ে। অভিযুক্ত আটাইকেইজনকে কঠোৰতম শাস্তি প্ৰদানৰ দাবী জনাইছে পৰিয়ালবৰ্গই।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

বিবেচনা কৰা হ'ব সন্ত্ৰাসবাদ, অসাৱধানতা, কাৰিকৰী বিজুতিৰ দিশ

# বিমান দুৰ্ঘটনাৰ তদন্তৰ বাবে উচ্চস্তৰীয় কমিটীক ৩ মাহৰ সময়সীমা

**নতুন দিল্লী, ১৪ জুন:** অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে আজি অৱগত কৰে যে এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাৰ তদন্তৰ বাবে এখন উচ্চ পৰ্যায়ৰ কমিটীক তিনি মাহৰ সময় দিয়া হৈছে। যোৱা ১২ জুনত ২৪২ জন যাত্ৰীৰে সৈতে এয়াৰ ইণ্ডিয়া বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ পাছত প্ৰথমখন সংবাদমেল সম্বোধন কৰি বিমান মন্ত্ৰালয়ে জনাইছে যে দুৰ্ঘটনাৰ পাছত অতি সোনকালে গৃহ সচিবক কমিটীৰ অধ্যক্ষ, অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ সচিব, গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব, প্ৰকৃততে দুৰ্ঘটনা সংঘটিত হোৱা গুজৰাট ৰাজ্যৰ প্ৰতিনিধি, ৰাজ্যিক দুৰ্যোগ সঁহাৰি প্ৰাধিকৰণ, গুজৰাট, আহমেদাবাদ আৰক্ষী আয়ুক্ত, ভাৰতীয় বায়ুসেনাৰ পৰা পৰিদৰ্শন আৰু নিৰাপত্তা সঞ্চালক প্ৰধান, বিচিএএছৰ সঞ্চালক প্ৰধান, ডিজিচিএ সঞ্চালক প্ৰধান, আইবিৰ বিশেষ সঞ্চালক আৰু ফৰেনছিক বিজ্ঞান সেৱা সঞ্চালকালয়ৰ সঞ্চালকক প্ৰতিনিধি হিচাপে লৈ এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰা হয়। ইফালে আহমেদাবাদৰ বিমান দুৰ্ঘটনাৰ তদন্তৰ বাবে উচ্চ পৰ্যায়ৰ কমিটীৰ সৈতে কথা পাতি বায়ুসেনাৰ গ্ৰুপ কেপ্তেইন উত্তম কুমাৰ দেৱনাথে কয়, 'চৰকাৰে এই দুৰ্ঘটনাটো সন্ত্ৰাসবাদৰ দিশ, অসাৱধানতাৰ দিশ, কাৰিকৰী দিশ, অপাৰেচনেল দিশ আৰু পাইলটৰ ভুলৰ দিশৰ জৰিয়তে পৰীক্ষা কৰাৰ এটা ডাঙৰ সিদ্ধান্ত লৈছে।' ইফালে বিমান উদ্যোগৰ সুৰক্ষাৰ মানৰ ওপৰত গুৰুত্ব আৰোপ কৰি কেন্দ্ৰীয় মন্ত্ৰী কিঞ্জৰাপুৰে কয়, "যেতিয়া এই কাণ্ড সংঘটিত হৈছিল, তেতিয়া আমিও অনুভৱ কৰিছিলো যে বয়িং ৭৮৭ ছিৰিজৰ ওপৰত বৰ্ধিত নীৰিক্ষণৰ প্ৰয়োজন আছে। ৭৮৭ বিমানৰ বাবে বৰ্ধিত নীৰিক্ষণৰ নিৰ্দেশ ইতিমধ্যে প্ৰদান কৰা হৈছে।" উল্লেখ্য, বৃহস্পতিবাৰৰ বিমান দুৰ্ঘটনাটোৰ পাছত আজি প্ৰথমবাৰৰ বাবে সংবাদমেল সম্বোধন কৰে অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে। ঘটনাৰ সবিশেষ বৰ্ণনা কৰে অসামৰিক বিমান পৰিবহণৰ সচিব সমীৰ কুমাৰ সিনহাই।



টেল আভিভত মিছাইল আক্ৰমণৰ পাছত ধ্বংসাৱশেষৰ মাজৰপৰা উদ্ধাৰ কৰা হোৱা এটা কুকুৰ, ফটো, শনিবাৰৰ

# বিজে মেডিকেল কলেজৰ হোষ্টেলসমূহ খালী কৰাৰ নিৰ্দেশ

## আৱাসীৰ মাজত হাহাকাৰ



**আহমেদাবাদ, ১৪ জুন:** ইয়াত এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত ক্ষতিগ্ৰস্ত হোৱা বিজে মেডিকেল কলেজৰ হোষ্টেলসমূহ খালী কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এয়াৰক্ৰাফ্ট এক্সিডেণ্ট ইনভেষ্টিগেশ্যন ব্যুৰোৱে (এআইআইবি)য়ে তদন্ত কৰিবৰ বাবে হোষ্টেলসমূহ খালী কৰিবলগীয়া হৈছে বুলি বুলি প্ৰতিষ্ঠানটোৰ ডীন মিনাক্ষী পাৰিখে আজি প্ৰকাশ কৰে। পাৰিখে কয় যে দুৰ্ঘটনাত ক্ষতিগ্ৰস্ত হোৱা চাৰিটা বিল্ডিং অতুল্যম ১, ২, ৩ আৰু ৪ খালী কৰা হৈছে আৰু তাত থকা লোকসকলক থকাৰ বাবে বিকল্প ব্যৱস্থা দিয়া হ'ব। ইফালে হঠাৎ হোষ্টেল খালী কৰিবলগীয়া হোৱাৰ বাবে যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে ইয়াৰ আৱাসী চিকিৎসকসকল। ঘটনাটোত আঘাতপ্ৰাপ্ত হোৱা চিকিৎসক বা তেওঁলোকৰ পৰিয়ালৰ সদস্য চিকিৎসাধীন হৈ থকাৰ বাবে তেওঁলোকে নিজৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ স্থানান্তৰিত কৰিবলৈ সক্ষম হোৱা নাই। বৃহস্পতিবাৰে বিয়লি চৰ্দাৰ বল্লভভাই পেটেল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা উৰণৰ কিছু মুহূৰ্তৰ পাছতে মেঘনীনগৰত ২৪২ জন যাত্ৰী আৰু ক্ৰু সদস্যসহ বয়িং ৭৮৭ ড্ৰিমলাইনাৰ (এআই ১৭১) বিমানখনে মেডিকেল হোষ্টেল আৰু ইয়াৰ কেণ্টিন কমপ্লেক্সত খুন্দা মাৰিছিল। একাধিক সংস্থাই তদন্ত চলাই থকা এই দুৰ্ঘটনাত মুঠ ২৭০ জন লোকৰ মৃত্যু হয়।

# দুৰ্ঘটনাত হতাহতৰ পৰিয়াললৈ ২৫ লাখ টকাৰ অন্তৰ্বৰ্তীকালীন সাহায্য ঘোষণা এয়াৰ ইণ্ডিয়াৰ

**মুম্বাই, ১৪ জুনঃ** আহমেদাবাদৰ বিমান দুৰ্ঘটনাত নিহত আৰু আহতসকলৰ পৰিয়ালক ২৫ লাখ টকাৰ অন্তৰ্বৰ্তীকালীন ধন প্ৰদান কৰিব বুলি আজি ঘোষণা কৰে এয়াৰ ইণ্ডিয়াই। এয়াৰ ইণ্ডিয়াই এক বিবৃতিত কয় যে এই অন্তৰ্বৰ্তীকালীন ধন ইতিমধ্যে মূল কোম্পানী টাটা ছন্সে ঘোষণা কৰা ১ কোটি টকাৰ ক্ষতিপূৰণৰ উপৰঞ্চি প্ৰদান কৰা হ'ব। এয়াৰ ইণ্ডিয়াৰ চিইঅ' তথা পৰিচালন সঞ্চালক কেম্পবেল উইলছনে ভিডিঅ' বাৰ্তাযোগে কয় যে, 'তাৎক্ষণিক আৰ্থিক সহায় আগবঢ়াবলৈ এয়াৰ ইণ্ডিয়াই মৃতকৰ প্ৰতিটো পৰিয়ালক আৰু লগতে জীৱিতসকলকো ২৫ লাখ টকা বা প্ৰায় ২১ হাজাৰ ব্ৰিটিছ পাউণ্ডৰ অন্তৰ্বৰ্তীকালীন ধন প্ৰদান কৰিব।

# আমেৰিকাত ২ সাংসদক আক্ৰমণ, পত্নীসহ নিহত ১

**ছেইণ্ট পল, ১৪ জুন:** মিনেছ'টাৰ প্ৰাক্তন সদনৰ অধ্যক্ষ মেলিছা হৰ্টমেন আৰু তেওঁৰ স্বামীক ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত হত্যাকাণ্ডত হত্যা কৰা হৈছে, আৰু আন এজন সাংসদ আৰু তেওঁৰ পত্নীক গুলীয়াই আহত কৰা হৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সাংসদসকলৰ "ভয়ংকৰ গুলীচালনা"ক গৰিহণা দিছে। আহত সাংসদগৰাকীৰ নাম জন হফমেন। উল্লেখ্য, হৰ্টমেন আছিল ৰাজ্যখনৰ বিধানসভাৰ হাউছ ডেম'ক্ৰেটিক দলৰ শীৰ্ষ নেতা আৰু সদনৰ প্ৰাক্তন অধ্যক্ষ। ব্যুৰো অৱ ক্ৰিমিনেল এপ্ৰেহেন্সনৰ অধীক্ষক ড্ৰু ইভান্সে কয় যে কৰ্তৃপক্ষই সক্ৰিয়ভাৱে এজন সন্দেহযুক্ত লোকৰ সন্ধানত আছে। আঘাতৰ পৰিসৰ নিৰ্ণয় কৰিবলৈ মৰণোত্তৰ পৰীক্ষা কৰা হ'ব।

# বালাঘাটত এনকাউণ্টাৰ, নিহত ৪ দুৰ্ধৰ্ষ মাওবাদী সদস্য

**ভুপাল, ১৪ জুন:** মধ্যপ্ৰদেশৰ বালাঘাট জিলাৰ পাচামা দাদাৰ পাহাৰীয়া অঞ্চলত সংঘটিত হোৱা এক এনকাউণ্টাৰত নিৰাপত্তাৰক্ষীয়ে তিনিগৰাকী মহিলাসহ চাৰিজন মাওবাদীক গুলীয়াই হত্যা কৰে। শুকুৰবাৰে সংঘটিত হোৱা এই এনকাউণ্টাৰৰ পাছত শনিবাৰে এটা হেণ্ড গ্ৰেনেড, এটা ৰকেট লঞ্চাৰ, এটা ৩১৫ ৰাইফল, কাৰ্টিজকে ধৰি এক বিশাল অস্ত্ৰ আৰু গোলাবাৰুদৰ ভঁৰাল উদ্ধাৰ কৰা হয়। দুই এজন পলাতকৰ সন্ধানত অভিযান আৰম্ভ কৰা হৈছে।

# ইজৰাইলৰ পাৰমাণৱিক গৱেষণা কেন্দ্ৰত আঘাত ইৰাণৰ

**টেহৰান, ১৪ জুন:** শনিবাৰে ইজৰাইলৰ কেইবাখনো চহৰ বিশেষকৈ টেল আভিভত ক্ষেপণাস্ত্ৰ আৰু ড্ৰোন আক্ৰমণৰ চৌৰে জোকাৰি যোৱাৰ পিছত ইজৰাইল আৰু ইৰানৰ মাজৰ উত্তেজনা বিপজ্জনক মাত্ৰাত উপনীত হৈছে। ইজৰাইলে তেহৰানত ইৰানৰ শীৰ্ষ সামৰিক নেতা নিহত হোৱা বিমান আক্ৰমণৰ মাত্ৰ কেইঘণ্টামানৰ পিছতে এই আক্ৰমণ সংঘটিত হয়। শুকুৰবাৰে গভীৰ নিশা ইজৰাইলে ইৰাণৰ ওপৰত ধাৰাবাহিক বিমান আক্ৰমণ চলোৱাত পৰিস্থিতি গভীৰ হৈ পৰে। খবৰ অনুসৰি ইৰাণে ইজৰাইলৰ ফালে ১৫০ৰো অধিক ক্ষেপণাস্ত্ৰ আৰু কেইবাটাও ড্ৰ'ন নিক্ষেপ কৰিছিল। ইয়াৰে অন্ততঃ এটা ক্ষেপণাস্ত্ৰই টেল আভিভৰ দক্ষিণ অংশৰ এটা পাৰমাণৱিক গৱেষণা কেন্দ্ৰত আঘাত হানে বুলি ইৰান আৰু ইজৰাইল উভয় সংবাদ মাধ্যমে নিশ্চিত কৰিছে। ইজৰাইলৰ মূল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ বেন গুৰিয়ান আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত আন এক বৃহৎ আঘাতৰ বাতৰি পোৱা গৈছে।

# এয়াৰ ইণ্ডিয়াৰ বিমানত কেতিয়াও নুঠে ডেভিদ ৱাৰ্ণাৰে!

**নতুন দিল্লী, ১৪ জুনঃ** আহমেদাবাদত সংঘটিত এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাই স্তব্ধ কৰিছে সমগ্ৰ বিশ্বক। এই ভয়াবহ বিমান দুৰ্ঘটনাৰ প্ৰভাৱ পৰিছে অষ্ট্ৰেলিয়াৰ ক্ৰিকেটাৰ ডেভিদ ৱাৰ্নাৰৰ ওপৰতো। বিমানখনত থকা ২৪২ জন লোকৰ ভিতৰত ২৪১ জন (২৩২ জন যাত্ৰী, ১০ জন ক্ৰু) মৃত্যু হোৱা দুৰ্ঘটনাৰ পিছতে ৱাৰ্নাৰে কেতিয়াও এয়াৰ ইণ্ডিয়াৰ বিমানত যাত্ৰা নকৰাৰ সিদ্ধান্তৰ কথা ঘোষণা কৰে। বিমান দুৰ্ঘটনাৰ পিছদিনা ৱাৰ্নাৰে ছ'চিয়েল মিডিয়াত এখন ছবি পোষ্ট কৰে, য'ত এয়াৰ ইণ্ডিয়া বিমানখনৰ দুৰ্দশাৰ বিষয়ে নিৰ্মাণ কৰা ভিডিঅ'ত নেটিজেনৰ মন্তব্যৰ স্ক্ৰীণশ্বট দেখুওৱা হৈছিল। ৩৮ বছৰীয়া অষ্ট্ৰেলিয়ান ক্ৰিকেটাৰগৰাকীয়ে নিজৰ উদ্বেগ প্ৰকাশ কৰি লিখিছে, "এই ছবিখন সঁচা হ'লে অতি বেদনাদায়ক। ক্ষতিগ্ৰস্ত সকলো পৰিয়াললৈ সমবেদনা। এনে এখন মৰ্মান্তিক ছবি দেখাৰ পিছত মই আৰু কেতিয়াও এয়াৰ ইণ্ডিয়াত যাত্ৰা নকৰো।" ভাৰতৰ সৈতে ৱাৰ্নাৰৰ দীৰ্ঘদিনীয়া সম্পৰ্ক আছে; ভাৰতলৈ সঘনাই আহে আৰু আই পি এলত একাধিক দলৰ হৈ খেলাৰ অভিজ্ঞতা আছে যদিও এইবাৰ আই পি এলত অংশ লোৱা নাছিল ৱাৰ্ণাৰে।



অৱশ্যে এয়াৰ ইণ্ডিয়াৰ প্ৰতি ৱাৰ্নাৰৰ ক্ষোভ নতুন নহয়। যোৱা মাৰ্চ মাহত এয়াৰ ইণ্ডিয়াৰ বিমান সেৱাক লৈও তেওঁ ক্ষোভ প্ৰকাশ কৰিছিল। সেই সময়ত বিমানত উঠাৰ পিছতো ৱাৰ্নাৰকে ধৰি যাত্ৰীসকলে পাইলটৰ বাবে বহু সময় অপেক্ষা কৰিবলগীয়া হৈছিল, কাৰণ বিমানখনত কোনো পাইলট নাছিল। নিৰ্ধাৰিত সময়ৰ পিছত যেতিয়া বিমানখন ভালদৰে গুচি গ'ল, তেতিয়া ৱাৰ্নাৰ এক্স হেণ্ডেলত পোষ্ট কৰে, "আপুনি পাইলটবিহীন বিমানত যাত্ৰী কিয় ৰাখে?" মন কৰিবলগীয়া যে এয়াৰ ইণ্ডিয়াৰ বিমান এআই৭১৭ বৃহস্পতিবাৰে দিনৰ ১:১০ বজাত আহমেদাবাদৰ পৰা লণ্ডন অভিমুখে উৰা মাৰিছিল। উৰণৰ কিছু সময়ৰ পিছতে বিমানখন দুৰ্ঘটনাগ্ৰস্ত হৈ মেডিকেল কলেজৰ হোষ্টেলৰ চাদত খুন্দা মাৰে। যাৰ ফলত হোষ্টেলৰ আৱাসী চিকিৎসকৰ লগতে বিমান যাত্ৰীৰ মৃত্যু ঘটে।




বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ২১ বছৰৰ অন্তত ইতিহাস গঢ়িলে দক্ষিণ আফ্ৰিকাই

## অৱশেষত সুদীৰ্ঘ ২১ বছৰীয়া 'কলংকিত' ইতিহাসৰ পুনঃলিখন

# কৃষ্ণাংগ বাভুমাৰ হাতত ধৰি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপ দখল দঃ আফ্ৰিকাৰ

**লৰ্ডছ, ১৪ জুনঃ** এগৰাকী কৃষ্ণাংগ অধিনায়কৰ হাতত ধৰি দীৰ্ঘদিনীয়া 'চ'কাৰ' কলংকৰ অন্ত পেলাই বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ খিতাপ দখল কৰিছে দক্ষিণ আফ্ৰিকাই। টেম্বা বাভুমা, আইডেন মাৰ্ক্ৰাম আৰু কাগিছ' ৰাবাডাৰ দৰে তাৰকাই অৱশেষত ১৯৯৯ চনৰ বিশ্বকাপৰ ছেমি ফাইনেলৰ পিছত তেওঁলোকক খেদি ফুৰা কলংকৰ অন্ত পেলাইছে। বৰ্ণবৈষম্য নীতিৰ বাবে ২১ বছৰ নিৰ্বাসনৰ পিছত ক্ৰিকেটলৈ ঘূৰি অহা দক্ষিণ আফ্ৰিকাই প্ৰথমবাৰৰ বাবে বিশ্বৰ টেষ্ট চেম্পিয়নৰ মুকুট পিন্ধিছে, যাৰ ফলত তেওঁলোকৰ দীৰ্ঘ ইতিহাসৰ এক নতুন মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। দক্ষিণ আফ্ৰিকাই এই কলংক মচি পেলালে অষ্ট্ৰেলিয়াৰ হাতত পৰাস্ত হৈ 'চ'কাৰছ' উপনাম অৰ্জন কৰা অষ্ট্ৰেলিয়াক পৰাস্ত কৰি। বাভুমা আৰু মাৰ্ক্ৰামৰ যুটিয়ে পেট কামিন্স, মিচেল ষ্টাৰ্ক আৰু জোছ হেজলউডৰ দৰে বলাৰৰ আক্ৰমণ চম্ভালি দলটোক জয়ৰ দিশে আগুৱাই লৈ যায়। কামিন্সৰ ডিফেন্সিভ ফিল্ডিঙৰ সৈতে এনে লাগিছিল যেন চতুৰ্থ দিনটোত অষ্ট্ৰেলিয়াই পৰাজয়ৰ ভাৱ লৈ খেলপথাৰত প্ৰৱেশ কৰিছিল। বাভুমাৰ নেতৃত্বত দক্ষিণ আফ্ৰিকাৰ এই জয় বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। ২০১৪ চনত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অভিষেক ঘটোৱা আৰু পিছলৈ দক্ষিণ আফ্ৰিকাৰ প্ৰথমজন কৃষ্ণাংগ অধিনায়ক হিচাপে পৰিগণিত হোৱা ক্ৰিকেটাৰগৰাকীয়ে নিজৰ দহখন টেষ্ট মেচৰ ভিতৰত ৯খন খেলত নিজৰ দলটোক জয়ৰ দিশত আগুৱাই লৈ গৈছে। তেওঁৰ এই সফলতাই শ শ সমালোচনাৰ উত্তৰ দি 'কোটা ক্ৰিকেটাৰ'ৰ কলংক মচি পেলাইছে। এই জয়ত মাৰ্কৰামৰ শতকেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গেলেৰীত বহি থকা এ বি ডি ভিলিয়াৰ্ছ আৰু গ্ৰেম স্মিথৰ দৰে প্ৰাক্তন ক্ৰিকেটাৰৰ অলংকৃত আনন্দই এই ঐতিহাসিক জয়ৰ গুৰুত্ব আৰু অধিক উজ্বল কৰি তোলে।




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনস্তৰি